सत्यमेव जयते

## অসমৰ মহামান্য ৰাজ্যপাল

# শ্ৰী জানকী বল্লভ পাটনায়কৰ ভাষণ

## ফেব্ৰুৱাৰী অধিবেশন

অসম বিধান সভা

১ ফেব্ৰুৱাৰী, ২০১১

**অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষদেৱ আৰু মাননীয় সদস্যবৃন্দ**

অসম বিধান সভাৰ ২০১১ চনৰ ফেব্ৰুৱাৰী অধিবেশনত এই পবিত্ৰ সদনক সম্বোধন কৰিবলৈ পাই মই বাৰুকৈয়ে সুখী হৈছো। এই সুযোগতে মই আপোনালোকক মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলো। মই এতিয়া আপোনালোকৰ আগত মোৰ চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচী সমূহ দাঙি ধৰিম। মই নিশ্চিত যে এই অধিবেশনৰ সুবিবেচিত আলাপ-আলোচনাবোৰে প্ৰগতি, শান্তি আৰু সমৃদ্ধিৰ পথত আমাৰ ৰাজ্যখন অগ্ৰসৰ হোৱাত আমাক সহায় কৰিব।

২০০১ চনৰ পৰাই জীৱন যাত্ৰাৰ সকলো স্তৰতে অসমত এক বিৱৰ্ত্তনৰ সূচনা হৈছে। আইন-শৃঙ্খলা পৰিস্থিতিৰ উল্লেখযোগ্য উন্নতি ঘটিছে আৰু আশাৰ এনে এক বাতাবৰণৰ সৃষ্টি হৈছে যে অসমৰ স্থায়ী শান্তি শীঘ্ৰে সমাগত। ৰাজ্যখন সন্দৰ্ভত থকা ধাৰণাটোৰো প্ৰভূত উন্নতি ঘটিছে, ফলস্বৰূপে বহুতো লোকে কেৱল অৱসৰ বিনোদনৰ থলি হিচাপে নহৈ বিনিয়োজনৰ থলি হিচাপেও অসমৰ ওপৰত আস্থা স্থাপন কৰিছে। ১৯৯৬-২০০১ চনৰ সময়ছোৱাৰ ভিতৰত লাভ কৰা ২,০০০.০০ কোটি টকাৰ বিনিয়োজন প্ৰস্তাৱৰ বিপৰীতে কেৱল উদ্যোগ খণ্ডৰ বাবেই ২০০১ চনৰ পৰা ৩৪,০০০.০০ কোটি টকাৰ বিনিয়োজন প্ৰস্তাৱ ৰাজ্যখনে লাভ কৰিছে। সঘন বন্ধৰ দিনবোৰ এতিয়া পাহৰণিৰ গৰ্ভত আৰু এতিয়া দুপৰ নিশালৈকে মানুহে ৰাজহুৱা স্থানবোৰত ফুৰা চকা কৰে। এই পৰিৱৰ্ত্তনবোৰৰ ফলত স্থানীয় প্ৰকৃত ভূসম্পদ, ব্যৱসায় আৰু সেৱাখণ্ডত সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিছে আৰু ৰাজ্যখনৰ বিকাশত ব্যক্তিগত খণ্ডক গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে আদৰি লোৱাত সহায়ক হৈছে।

২০০১ চনত অসমে সমস্যা জৰ্জৰ অৱস্থা আৰু তীব্ৰ বিত্তীয় সংকটৰ মাজেৰে গতি কৰিছিল। ৰাজ্যৰ ৰাজকোষ আছিল উদং, অৰ্থনীতি আছিল মন্থৰ আৰু সময়মতে কৰ্মচাৰীৰ দৰমহাও দিব পৰা নাছিল। সেই সময়ছোৱাৰ পৰাই এতিয়া অসমত উল্লেখযোগ্য পৰিৱৰ্ত্তন ঘটিছে। প্ৰশাসনিক আৰু বিত্তীয় দক্ষতা উন্নীতকৰণৰ অৰ্থে এচিয়ান বিকাশ বেংকৰ পুঁজিৰে এক সংস্কাৰমূলক আঁচনি হাতত লোৱা হৈছে। কৰ প্ৰদানৰ বাধ্যবাধকতাৰ উন্নীতকৰণ তথা কৰৰ উৎসবোৰৰ পৰিসৰ বৃদ্ধি কৰি ৰাজন

পৰিমাণৰ সমল আহৰণৰ ব্যৱস্থা কৰা হৈছে। এতিয়া ৰাজ্যখনৰ পুঁজি বেচ টনকিয়াল, অৰ্থনীতিও সচ্ছল আৰু ইয়াৰ কৰ্মচাৰী সকলক কেৱল সময়মতে দৰমহা দিয়াতে ক্ষান্ত নাথাকি অসম দৰমহা আয়োগ, ২০০৮ ৰ অনুমোদন মৰ্মে আৰু কেন্দ্ৰীয় চৰকাৰৰ দৰমহাৰ আৰ্হিত উচ্চ নিৰিখেৰে দৰমহা গাঁথনিৰ সংশোধন ঘটোৱা হৈছে। ঘাটী মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয় সমূহৰ ১০,০০০ ৰো অধিক কৰ্মচাৰী আৰু গাওঁ পঞ্চায়তবোৰৰ ৪,৫৬৫ গৰাকী কৰ্মচাৰীৰ সেৱাসমূহ প্ৰাদেশিকীকৃত কৰা হৈছে আৰু ১-৪-১৯৯৩ তাৰিখৰ আগৰ পৰা কামত ব্যস্ত থকা ৩০,০০০ ৰো অধিক মাষ্টাৰৰোল আৰু ৱৰ্ক চাৰ্জড কৰ্মচাৰীৰ সেৱাও নিয়মীয়া কৰা হৈছে। উন্নত বিত্তীয় অৱস্থাই ৰাজ্যখনৰ পৰিকল্পনা খণ্ডতো সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছে। ইয়াৰ বৃদ্ধি ক্ষীপ্ৰ গতিৰে উধাইছে, এই শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমাণ ২০০০-০১ চনত ১৫২১.২৮ কোটি আৰু ২০০৫-০৬ চনৰ ৩০০৭.০৯ কোটিৰ পৰা ২০১০-১১ চনত ৭৬৪৫.০০ কোটিলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত আস্থাৰ সঞ্চাৰ ঘটিছে আৰু ফলস্বৰূপে বিশ্ববেংক আৰু এচিয়ান বিকাশ বেংকৰ পুঁজিৰে আৰু বহুপক্ষীয় পুঁজি যোগনীয়াৰ সংস্থা সমূহেও অসমত কেবাখনো আঁচনিৰ কাম হাতত লৈছে।

এই বৰ্দ্ধিত পৰিকল্পনা ব্যয়ৰ দ্বাৰা অসমৰ ক্ষীপ্ৰ আৰু বৰ্দ্ধিত বিকাশৰ বাবে মোৰ চৰকাৰখন কেতবোৰ আঁচনি আৰু কাৰ্য্যসূচী হাতত লবলৈ সক্ষম হৈছে। এহাতে স্থায়ী বিকাশৰ বুনিয়াদ গঢ়ি তোলা হৈছে আৰু আনহাতে অধিক গুণগত আৰু উৎপাদনমুখী মানৱ সম্পদৰ বিকাশৰ অৰ্থে মানৱ সম্পদৰ বিকাশৰ ওপৰত জোৰ দিয়া হৈছে। নিয়োগৰ সুবিধা সৃষ্টিৰ বাবে বিশেষকৈ স্ব-নিয়োজনৰ বাবে কেবাখনো আঁচনি গ্ৰহণ কৰা হৈছে। কৃষি যান্ত্ৰিকীকৰণৰ বাবে বিশেষ প্ৰচেষ্টা লোৱা হৈছে আৰু ১৯৯৬-২০০১ চনৰ সময়ছোৱাত বিতৰণ কৰা ২২১ খন ট্ৰেক্টৰ আৰু ৫৮২ খন পাৱাৰ টিলাৰৰ বিপৰীতে ২০০১ চনৰ পৰা ২০১০ চনৰ সময়ছোৱাত ৬,৮৮৯ খন ট্ৰেক্টৰ আৰু ২৯,৭৯৭ খন পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। মোৰ চৰকাৰে আনন্দ ৰাম বৰুৱা বঁটা, ৰাজীৱ গান্ধী কম্পিউটাৰ শিক্ষণ আঁচনি, ধৰ্মজ্যোতি, জ্ঞানজ্যোতি আৰু কল্পতৰুৰ লেখীয়া কেতবোৰ উদগণিমূলক আঁচনিও গ্ৰহণ কৰিছে। বৰ্ত্তমানে থকা প্ৰতিষ্ঠানবোৰক শক্তিশালী কৰি আৰু নতুন প্ৰতিষ্ঠান স্থাপন কৰাৰ জৰিয়তে বিতৰণ পদ্ধতিটোক উন্নীত কৰাৰ ওপৰত মনোযোগ দিয়া হৈছে।



চলিত বছৰটোত চলন্ত পৰিকল্পনাবোৰৰ পৰিপূৰক হিচাপে আৰু অনুভূত অভাৱ মোচনৰ অৰ্থে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ৮৭ সংখ্যক নতুন আঁচনি, প্ৰকল্প আৰু কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে। এইবোৰৰ যথাযথ ৰূপায়ণৰ অৰ্থে এইবোৰৰ ওপৰত নিৰন্তৰ পৰ্য্যবেক্ষণ চলাই থকা হৈছে। উল্লেখযোগ্য আঁচনিবোৰৰ কেতবোৰ হ'ল - দাৰিদ্ৰ সীমাৰ তলৰ পৰিয়ালৰ বাবে প্ৰতি কিলোগ্ৰামত ৬.০০ টকা দৰত প্ৰতি পৰিয়াললৈ প্ৰতিমাহে ১০ কিলোগ্ৰামকৈ (২০১১ চনৰ জানুৱাৰী মাহৰ পৰা ২০ কিলোগ্ৰামকৈ) চাউলৰ যোগান ধৰা মুখ্যমন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনা, কৃষি সা-সৰঞ্জুলি ক্ৰয়ৰ অৰ্থে প্ৰত্যেককে ৩০০০ টকাকৈ দুইলাখ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কলৈ নগদ ধনৰ উদ্‌গণিমূলক সাহায্য, ১২.০০ কোটি টকা ব্যয়ৰে এক লাখ ছাত্ৰ-ছাত্ৰীৰ মাজত সৌৰ চাকিৰ ব্যৱস্থা, ১০.০০ কোটি টকা ব্যয়ৰে ১২,৬০০ টা সাংস্কৃতিক ক্লাৱ আৰু সংগঠনৰ মাজত সাংস্কৃতিক সামগ্ৰীৰ যোগান, ২০.০০ কোটি টকা ব্যয়ৰ ৭৫% ৰাজ সাহায্য প্ৰদানেৰে প্ৰতিটো বিধান সভা সমষ্টিৰ মাজত ২০ খনকৈ পাৱাৰ টিলাৰৰ যোগান, ৫০.০০ কোটি টকা ব্যয়ত গাইপতি ১০,০০০.০০ টকাকৈ দি ৫০,০০০ অকলশৰীয়া নিবনুৱা মহিলালৈ আগবঢ়োৱা সাহায্য আঁচনি, ৫০.০০ কোটি টকা ব্যয়ত প্ৰতি গোটৰ নামত ৫,০০০.০০ টকাকৈ ১ লাখ মহিলা আত্ম সহায়ক গোটলৈ নগদ ধনৰ সাহায্য, ৭৫.০০ কোটি টকা ব্যয়ৰ দাৰিদ্ৰ সীমাৰ তলৰ ২০ লাখ পৰিয়াললৈ আগবঢ়োৱা ঔষধযুক্ত আৰু অধিক দিন টিকা আঠুৱা যোগান আঁচনি, ১০০.০০ কোটি টকাৰ ব্যয়ত প্ৰতিটো বিধান সভা সমষ্টিৰ অধীনত দাৰিদ্ৰ সীমাৰ তলৰ ২০,০০০ হিতাধিকাৰীৰ মাজত বিতৰণ কৰিবলগীয়া সূতা আৰু কম্বল আঁচনি, ১৫.০০ কোটি টকা ব্যয়ৰ দাৰিদ্ৰ সীমাৰ তলৰ ১০ লাখ পৰিয়াললৈ দুটাকৈ বিনামূলীয়া চি এফ এল বাল্‌ব যোগান ধৰা আঁচনি, দাৰিদ্ৰ সীমাৰ তলৰ পৰিয়ালৰ মাজত বিশেষকৈ গৰাখহনীয়া অঞ্চলৰ পৰিয়ালক ২০০০.০০ কৈ নগদ টকা আৰু দুই বাণ্ডিলকৈ টিনপাত যোগান ধৰা আঁচনি বিশেষকৈ প্ৰতিটো বিধান সভা সমষ্টিৰে ১০০০ পৰিয়ালৰ মাজত ৰূপায়ণ হ'বলগীয়া ৫০.০০ কোটি টকাৰ এই আঁচনি আৰু প্ৰতি গৰাকীকে ১০,০০০.০০ টকাকৈ ৫০,০০০ উপান্ত উদ্যোগলৈ আগবঢ়োৱা নগদ ধনৰ সাহায্য আঁচনি।

মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰে সম্পৰ্কিত আন কেতবোৰ গুৰুত্বপূৰ্ণ আঁচনি হ'ল - ২.৫০ কোটি টকাৰ লখিমপুৰস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ পুনৰ নবীকৰণ আঁচনি,

আশা আৰু অংগণৱাড়ী কৰ্মী, হোমগাৰ্ড আৰু গাঁও প্ৰতিৰক্ষা বাহিনীৰ লোকৰ চিকিৎসা আৰু মৃত্যু সম্পৰ্কীয় খৰচ বহনৰ বাবে নতুন বৰঙণি ভিত্তিক বীমা আঁচনিৰ বাবে ১.০০ কোটি টকাৰ যোগান, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বাবে বিশেষ উন্নয়নী আঁচনি হাতত লোৱাৰ অৰ্থে প্ৰত্যেকখন জিলালৈ ৫০.০০ কোটিকৈ টকা দিয়াৰ ব্যৱস্থা, হোমগাৰ্ড, গ্ৰাম্য প্ৰতিৰক্ষা বাহিনীৰ লোক গাঁওবুঢ়া সকলৰ নিৰ্দ্দিষ্ট দৰমহাৰ নিৰিখ ৫০ শতাংশলৈ বৃদ্ধি, প্ৰতিখন জিলাৰে শ্মশান আৰু কবৰস্থান সমূহ পৰিচালনা কৰা আৰু সেইবোৰলৈ শ কঢ়িয়াই নিয়াৰ বাবে গাড়ীৰ ব্যৱস্থা কৰাৰ খৰচৰ বাবদ ১০.০০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। বৈদ্যনাথন কমিটিৰ প্ৰতিবেদনৰ ভিত্তিত হ্ৰস্বকালীন সমবায় ঋণ পৰিকাঠামো নামৰ কেন্দ্ৰীয় খণ্ডৰ আঁচনিখন পুনৰুজ্জীৱিতকৰণৰ বাবে আঁচনিখন চালু কৰিবলৈ ৰাজ্যিক অংশৰ বাবদ ২০.০৬ কোটি টকা আদায় দিয়া হৈছে আৰু ১৬,১৩০ খন বে-চৰকাৰী বিদ্যালয় আৰু মহাবিদ্যালয়লৈ বিত্তীয় সাহায্য যোগানৰ বাবে ৪০০.০০ কোটি টকাৰ ব্যৱস্থা, ৮,৫৯১ খন অনা-চৰকাৰী নিম্ন প্ৰাথমিক আৰু ৪,৭৪৫ খন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে ২০০.০০ কোটি টকা, ২,০১৯ খন মাধ্যমিক শিক্ষা প্ৰতিষ্ঠানৰ বাবে ১৩০.০০ কোটি, ৬৩৩ খন মাদ্ৰাছা স্কুলৰ বাবে ৩৫.০০ কোটি আৰু ১৪২ খন বে-চৰকাৰী মহাবিদ্যালয়ৰ বাবে ৩৫.০০ কোটি টকাৰ ব্যৱস্থা।

## আইন-শৃংখলা ঃ

ৰাজ্যখনত সক্ৰিয় হৈ থকা উগ্ৰপন্থী গোটসমূহৰ বিৰুদ্ধে চলাই থকা বিদ্ৰোহ দমন অভিযান আৰু আলোচনাৰ দ্বাৰা এই সমস্যা সমাধান কৰিবলৈ বিচৰা গোটসমূহৰ বাবে আৰম্ভ কৰা প্ৰাৰম্ভিক শান্তি প্ৰক্ৰিয়াৰে মোৰ চৰকাৰে হাতত লোৱা বহুমুখী কৌশলে যথেষ্ট সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এই কথা বিভিন্ন উগ্ৰপন্থী গোট যেনে -ইউ পি ডি এছ, ডি এইচ ডি (নুনিচা) গোট, ডি এইচ ডি (জুৱেল) গোট, কে এল এন এল এফ, এন ডি এফ বি (ধীৰেন বড়ো গোট), এ চি এম এ আৰু বি চি এফ ৰ বিৰুদ্ধে বন্ধ ৰখা অভিযান আৰু তেওঁলোকৰ সৈতে কৰা চুক্তিত প্ৰতিফলিত হৈছে। মোৰ চৰকাৰৰ প্ৰচেষ্টাত আলফা, ইউ পি ডি এচ, ডি এইচ ডি (জুৱেল) গোট, কে এল এন এল এফৰ সৈতে শান্তি প্ৰক্ৰিয়াক আগবঢ়াই নিয়াৰ অৰ্থে এজন মধ্যস্থতাকাৰী নিয়োগ কৰা হৈছে আৰু ই এক ইতিবাচক দিশত আগবাঢ়িছে। আলফা আৰু আলোচনা বিৰোধী এন ডি এফ বি গোটে হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ দ্বাৰা তেওঁলোকৰ



সমস্যা সমূহ সমাধান কৰিবলৈ আগবাঢ়ি আহিব বুলি মোৰ চৰকাৰ আশাবাদী। আলফাৰ সৈতে আলোচনাৰ বাবে এক সৌহাৰ্দ্দ্যপূৰ্ণ পৰিবেশ সৃষ্টি কৰাৰ অৰ্থে কাৰাগাৰৰ পৰা তেওঁলোকৰ নেতাসকলক মুক্তি দিয়াৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু সম্প্ৰতি তেওঁলোকক জামিনত মুকলি কৰি দিয়া হৈছে।

২০১০ বৰ্ষত নিৰাপত্তা বাহিনীয়ে বিভিন্ন উগ্ৰপন্থী গোটৰ ৯৮০ গৰাকী উগ্ৰপন্থীক কৰায়ত্ব কৰিছে আৰু এই উগ্ৰপন্থী সমূহৰ ভিতৰত আলফাৰ কেতবোৰ আগশাৰীৰ গুৰুত্বপূৰ্ণ নেতা আৰু এন ডি এফ বিৰ আলোচনা বিৰোধী গোটৰ অধ্যক্ষ আৰু উপ সেনাধক্ষ্যও আছে। নিৰাপত্তা বাহিনীয়ে উগ্ৰপন্থীৰ পৰা বিভিন্ন ধৰণৰ ৪৪২ বিধ আগ্নেয়াস্ত্ৰ আৰু বহু সংখ্যক আই ই ডি, গ্ৰেনেড, বিস্ফোৰক সামগ্ৰী আৰু ডিটনেটৰ উদ্ধাৰ কৰিছে। এই সময়ছোৱাত নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত বিভিন্ন উগ্ৰপন্থী গোটৰ ১৫ গৰাকী উগ্ৰপন্থী নিহত হয়। এই কৃতিত্ব সমূহ আৰক্ষী বাহিনীৰ আধুনিকীকৰণ, খালীহৈ থকা পদ সমূহ পূৰণ আৰু অসম আৰক্ষীৰ লোকসকলক প্ৰদান কৰা প্ৰশিক্ষণৰ জৰিয়তে মোৰ চৰকাৰে দিয়া অবিৰত আৰু গভীৰ মনোযোগৰ ফলত সম্ভৱ হৈছে। উগ্ৰপন্থীক মোকাবিলা কৰাৰ অৰ্থে ৰাজ্যিক আৰক্ষী বাহিনীক এতিয়া আধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু সুৰক্ষাৰ সজুঁলি তথা আধুনিক যোগাযোগৰ সা-সজুঁলিৰে সু-সজ্জিত কৰি তোলা হৈছে।

ৰাজ্যখনৰ উগ্ৰপন্থী কাৰ্য্যকলাপ নিয়ন্ত্ৰণত আমাৰ এই বহুমুখী কৌশলে এক ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। বিভিন্ন উগ্ৰপন্থী গোটে সংঘটিত কৰা হিংসাত্মক কাৰ্য্যকলাপ হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ২০১০ চনত উগ্ৰপন্থীয়ে হত্যা কৰা অসামৰিক লোকৰ সংখ্যা আছিল ৫৬, যিটো বিগত ১৫ বছৰৰ ভিতৰত উগপন্থীৰ দ্বাৰা হত্যা কৰা অসামৰিক লোকৰ আটাইতকৈ নিম্নতম সংখ্যা। উগ্ৰপন্থীৰ দ্বাৰা হোৱা বোমা বিস্ফোৰণৰ কাৰ্য্য যথেষ্ট হ্ৰাস পাইছে।

## অসম চুক্তি ঃ

১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ বাবে মোৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ২০১০ চনৰ জুলাই মাহত বৰপেটাত উদ্ভৱ হোৱা আইন শৃংখলা জনিত পৰিস্থিতিৰ পিছত ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াত থকা

অসুবিধাসমূহ দূৰ কৰা আৰু এই প্ৰক্ৰিয়াৰ সৰলীকৰণৰ বাবে অনুমোদন জনাবলৈ এখন কেবিনেট উপ-সমিতি গঠন কৰা হৈছে, যাতে কোনো এজন প্ৰকৃত ভাৰতীয়ৰ হাৰাশাস্তি নহয় আৰু যাতে অসমত কোনো বিদেশীয়ে অবৈধভাবে বাস কৰিব নোৱাৰে। বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে বিদেশী ন্যায়াধিকৰণৰ সংখ্যা ২০০৬ চনৰ ১১ খনৰ পৰা বৰ্ত্তমান ৩৬ খনলৈ বৃদ্ধি কৰা হৈছে আৰু ৰাজ্যখনত এই ন্যায়াধিকৰণ সমূহে বৰ্ত্তমান কাম কৰি আছে। মন্ত্ৰীসকলৰ এখন সমিতিয়ে 'অসমীয়া মানুহ'ৰ সংজ্ঞা নিৰূপণকে আদি কৰি অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণ সম্পৰ্কীয় বিষয়সমূহ পৰীক্ষা কৰি আছে। মোৰ চৰকাৰে হাতত লোৱা একে ধৰণৰ আঁচনিৰ উপৰিও ভাৰতৰ প্ৰত্নতাত্বিক জৰীপ বিভাগে ঐতিহাসিক কীৰ্তিচিহ্ন সমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ অৰ্থে পদক্ষেপ গ্ৰহণ কৰিছে। জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ তৃতীয় পৰ্য্যায় (খণ্ড-ৰ)ৰ আধুনিকীকৰণৰ কাম বৰ্ত্তমান চলি আছে।

৫৪৬০ কোটি টকা ব্যয় সাপেক্ষে অসম গেছ ক্ৰেকাৰ প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে। গ্ৰীণফিল্ড পেপাৰ প্ৰজেক্ট স্থাপনৰ জৰিয়তে অশোক কাগজ কল পুনৰুজ্জীৱিতকৰণৰ প্ৰস্তাৱ লোৱা হৈছে। ভাৰত চৰকাৰে বগীবিল ৰেল তথা পথ প্ৰকল্পক এক ৰাষ্ট্ৰীয় প্ৰকল্প হিচাপে অনুমোদন জনাইছে আৰু এই প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতালক ১১৯.৯৫ কোটি টকা ব্যয় সাপেক্ষ এক বিশেষ সা-সুবিধা থকা হাস্পাতালৰ পৰ্য্যায়লৈ উন্নীতকৰণৰ অৰ্থে এটা প্ৰস্তাৱত ভাৰত চৰকাৰে অনুমোদন দিছে আৰু ইয়াৰ ৰূপায়ণৰ কাম বৰ্ত্তমান চলি আছে। অসমৰ গড়কাপ্তানি বিভাগে ভাৰত-বাংলাদেশ সীমান্তৰ ৫ খন দলঙৰ উপ-পথৰ লগত সংলগ্ন ০.৭১৫ কিঃমিঃ পথ আৰু ০.৮৯৩ কিঃমিঃ দৈৰ্ঘ্যৰ কাইতীয়া তাৰৰ বেৰক বাদ দি এই সীমান্ত পথ নিৰ্মাণ সম্পৰ্কীয় সকলোবোৰ কাম সম্পূৰ্ণ কৰি তুলিছে যিটো ২০১১ চনৰ মাৰ্চ মাহৰ আগতে সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

## কৃষি আৰু উদ্যান শস্য ঃ

মুঠ শস্য উৎপাদন হোৱা অঞ্চল হ্ৰাস পোৱা সত্বেও খাদ্য আৰু নগদী শস্যৰ উৎপাদন অসমত যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ২০০৯-১০ বৰ্ষত ধান উৎপাদনৰ



পৰিমাণ অভিলেখ সংখ্যক ৪৪.০৮ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় খাদ্য নিৰাপত্তা অভিযানৰ অধীনত তেৰ খন নিম্ন উৎপাদনকাৰী জিলাত ধান উৎপাদনৰ পৰিমাণ ২০০৬-০৭ বৰ্ষত হেক্টৰে প্ৰতি ১২১৫ কিঃগ্ৰাঃৰ পৰা ২০০৯-১০ বৰ্ষত হেক্টৰে প্ৰতি ১৬৪৩ কিঃগ্ৰাঃলৈ বৃদ্ধি পাইছে, যিটোৰ বৃদ্ধিৰ হাৰ এই অভিযানৰ ৩ বছৰ পিছত ৩৫.২ শতাংশ হৈছেগৈ। পূব ভাৰতৰ এন এফ এচ এম (ধান) জিলাসমূহৰ ভিতৰত ধান উৎপাদনত অসমে প্ৰথম স্থান অধিকাৰ কৰিছে।

উৎসাহ আৰু বহুমুখীকৰণ সমৰ্থন কৰাৰ সময়তে ৰাজ্যৰ কৃষকসকলৰ দ্বাৰা উন্নত উচ্চ উৎপাদনক্ষম প্ৰজাতি আৰু বৰ্ণশংকৰ বীজৰ ব্যৱহাৰ তথা সংহত পৰিপুষ্টি পৰিচালনা সহ উন্নত প্ৰযুক্তি গ্ৰহণ কৰা আৰু কৃষি যান্ত্ৰিকীকৰণৰ ওপৰতো জোৰ দিয়া হৈছে। ২০১০-১১ বৰ্ষত ৮৮২ খন ট্ৰেক্টৰ আৰু ৬০৬৮ খন পাৱাৰ টিলাৰ বিতৰণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। ১,১৬,৮৯২ টা এচ টি ডব্লিউ / ড্ৰীপ/ স্প্ৰীংকলাৰ /এল এল পি স্থাপনৰ জৰিয়তে ২০১০-১১ বৰ্ষত ২,৩৩,৭৮৪ হেক্টৰৰ অতিৰিক্ত কৃষি ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰি থকা হৈছে। ২০১০ চনৰ চেপ্তেম্বৰলৈ ১৪৫৩.১২ কোটি টকাৰ ঋণ প্ৰদানেৰে যোগ্য কৃষক সকললৈ সৰ্বমুঠ ৫,৮৬,৬৩৩ খন কৃষক ঋণ পত্ৰ বিতৰণ কৰা হৈছে। আন্তঃগাথনি উন্নয়নৰ বাবে বহিঃসাহায্যৰ অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প আৰু কৃষি তথা ইয়াৰ আনুসংগিক খণ্ডসমূহৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে থকা কেন্দ্ৰীয় আঁচনি - ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাখন কৃতকাৰ্য্যতাৰে ৰূপায়ণ কৰি থকা হৈছে।

প্ৰকৃত শস্য ক্ষেত্ৰৰ প্ৰায় ১৪% উদ্যান শস্যই দখল কৰি আছে। উদ্যান শস্যৰ সংহত উন্নয়নৰ বাবে প্ৰযুক্তি অভিযান নামৰ কেন্দ্ৰীয় আঁচনিৰ অধীনত মোৰ চৰকাৰে উচ্চ মূল্যৰ উদ্যান শস্য যেনে - কাজুবাদাম, কিং চিলি (ভোট জলকীয়া), জালুক, আদা, কপৌফুল, এন্থুৰিয়াম ইত্যাদিৰ খেতি কৰাত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। উদ্যান শস্য আৰু খাদ্য প্ৰস্তুতকৰণ খণ্ডৰ বিকাশৰ বাবে শীতল ভড়াল, শস্য ছপোৱাৰ পিছৰ প্ৰক্ৰিয়া আৰু আদৰ্শ উদ্যান শস্যৰ পামৰ লগতে বিপণনৰ সুবিধাও উন্নত কৰি থকা হৈছে। ৰাষ্ট্ৰীয় ঔষধি গছ অভিযানৰ অধীনত পোন প্ৰথম বাৰৰ বাবে ঔষধি গছৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসম্মত কৃষিক আগবঢ়াই নি থকা হৈছে।

জলসিঞ্চন ঃ

বহুসংখ্যক গুৰু, মজলীয়া, ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে জলসিঞ্চন বিভাগে এতিয়ালৈকে ৭.৭৬ লাখ হেক্টৰ কৃষি ভূমিক জলসিঞ্চনৰ অধীনলৈ আনিছে। কৃষি উন্নয়নৰ বাবে আৰু অধিক কৃষি ভূমিক জলসিঞ্চন ব্যৱস্থাৰ অধীনলৈ আনিবলৈ দ্ৰুত জলসিঞ্চন লাভ আঁচনি (এ আই বি পি), অগ্ৰগামী অঞ্চল উন্নয়ন আৰু জল পৰিচালনা আঁচনি, অসম বিকাশ যোজনা আৰু নাবাৰ্ড (আৰ আই ডি এফ)ৰ অধীনৰ আঁচনি, ৰাজ্যিক পৰিকল্পনা তথা কেন্দ্ৰীয় অপৰিশোধেয় পুঁজিৰ আঁচনিসমূহ বৰ্ত্তমানে ৰূপায়ণ কৰি থকা হৈছে। ২৪,৪০০ হেক্টৰ কৃষি ভূমিৰ জলসিঞ্চনৰ সম্ভাৱনীয়তা পুনৰুজ্জীৱিতকৰণৰ বাবে শুক্লা জলসিঞ্চন প্ৰকল্পটোৰ আধুনিকীকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে। ৫,৬৬৮ হেক্টৰ ভূমিৰ জলসিঞ্চন ব্যৱস্থা পুনৰুজ্জীৱিতকৰণৰ বাবে ৰূপহী জলসিঞ্চন প্ৰকল্প আৰু ৩৪.৪০০ হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনীয়তা হেৰুওৱা কৃষি ভূমিৰ পুনৰুজ্জীৱিতকৰণৰ বাবে বৰদিক্‌ৰাই প্ৰধান জলসিঞ্চন প্ৰকল্পত কাম চলাই থকা হৈছে।

পশুপালন আৰু পশু চিকিৎসা ঃ

অসমৰ গ্ৰামীণ অৰ্থনীতিত পশুধন আৰু হাঁহ-কুকুৰা খণ্ডৰ বৰ্দ্ধিত গুৰুত্বক মোৰ চৰকাৰে অনুধাৱন কৰিছে। এই খণ্ডটোৰ উন্নয়নৰ বাবে চৰকাৰখনে দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ শুক্ৰ সেৱা, গৰু-ম'হ অন্তৰ্ভূক্তি আঁচনি, অৰ্দ্ধ জৰুৰীকালীন ছাগলী আৰু গাহৰি পাম আঁচনি, গ্ৰাম্য বেক্‌ইয়াৰ্ড হাঁহ-কুকুৰা বিতৰণ আঁচনি আৰু ব্যাপক টীকাকৰণৰ জৰিয়তে পশুধনৰ ৰোগ নিয়ন্ত্ৰণ আঁচনিৰ লেখীয়া কিছুসংখ্যক আঁচনি হাতত লৈছে। ৰাণীত থকা পাম পৰিচালনা প্ৰতিষ্ঠানখনক আঞ্চলিক পশুধন আৰু উদ্যোগী পৰিচালনা প্ৰতিষ্ঠানলৈ উন্নীতকৰণৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। শিলচৰৰ ঘুংগুৰস্থিত পশুচিকিৎসা বিজ্ঞান বিদ্যালয় আৰু খানাপাৰাৰ বিষয়া প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে সম্প্ৰসাৰণ আৰু প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

ৰাজ্যখনৰ দুগ্ধৰ চাহিদা আৰু যোগানৰ মাজত থকা ব্যৱধান হ্ৰাস কৰিবলৈ কিছুসংখ্যক পদক্ষেপ হাতত লোৱা হৈছে। এই পদক্ষেপসমূহৰ ভিতৰত দুগ্ধ উৎপাদক সকলৰ সংগঠন, দুগ্ধ আহৰণ, প্ৰস্তুতকৰণ, বিপণন বৃদ্ধি কৰিবলৈ আন্তঃগাঁথনিৰ সৃষ্টি / উন্নীতকৰণ আৰু নবীকৰণ তথা ব্যক্তিগত বিনিযোগ আৰু অংশ গ্ৰহণত উৎসাহ যোগোৱাই হ'ল প্ৰধান। দুগ্ধ গ্ৰাম আঁচনি (ৰাজ্যিক পৰিকল্পনা), নগৰীয়া দুগ্ধ যোগান আঁচনি, বহিঃসাহায্যৰ অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প, কেন্দ্ৰীয় আঁচনি - ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু গুণগত আৰু স্বাস্থ্য সন্মত দুগ্ধ উৎপাদনৰ বাবে আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ লেখীয়া কিছুসংখ্যক আঁচনি ৰূপায়ণৰ জৰিয়তে এই পদক্ষেপসমূহক বাস্তৱায়িত কৰি থকা হৈছে।



মীন ঃ

অসমৰ মীন উৎপাদন ২০০৪-০৫ বৰ্ষৰ ১.৮৬ লাখ টনৰ বিপৰীতে ২০০৯-১০ বৰ্ষত ২.১৮ লাখ টনলৈ বৃদ্ধি হৈছে। বিজ্ঞানসন্মত মীন পালন আৰু গুণগত মাছৰ পোনা উৎপাদন সহ মৎস্য উৎপাদনৰ ক্ষেত্ৰ সংবৰ্দ্ধনৰ ওপৰত মোৰ চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। ৰাজ্যিক পৰিকল্পনাৰ বিভিন্ন আঁচনি, বহিঃসাহায্যৰ অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনৰ বিভিন্ন আঁচনিৰ জৰিয়তে আৰু অধিক ভূমিক মীন পালনৰ অধীনলৈ আনি থকা হৈছে। বহুসংখ্যক নিবনুৱা যুৱক আৰু মহিলালৈ মীন পালন আৰু গুণগত মাছৰ পোনা উৎপাদনৰ দক্ষতা বৃদ্ধিকাৰী প্ৰশিক্ষণ দি থকা হৈছে। অসম মৎস্য মহোৎসৱৰ জৰিয়তে ৰাজ্যখনত ব্যাপক সজাগতামূলক কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। মিছা মাছ উৎপাদন আৰম্ভ কৰাৰ বাবে অসমত পোন প্ৰথমবাৰৰ বাবে সতেজ পানীত মিছা মাছৰ উমনি দিয়া ব্যৱস্থা স্থাপন কৰা হৈছে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ

স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনাখন ৰাজ্যখনত ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিখনৰ অধীনত বিগত পাচটা বছৰত ৫২,৩৫৫ টা আত্মসহায়ক গোট আৰু ২৫,৯৩২ জন ব্যক্তিগত স্ব-ৰোজগাৰীলৈ স্ব-নিয়োজন আগবঢ়োৱা হৈছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন (এম-এনৰেগা) আঁচনিৰ অধীনত ৩৬,১৮,১১৮ টা পৰিয়াললৈ কৰ্মপত্ৰ (জবকাৰ্ড) দিয়া হৈছে। ২০১০ চনৰ নৱেম্বৰলৈকে বিগত পাচটা বছৰত সৰ্বমুঠ ২৬৯৯.০৫ লাখ কৰ্মদিনৰ সৃষ্টি কৰা হৈছে। পুঁজিৰ আত্মসাৎ আৰু পুঁজি অপপ্ৰয়োগ ৰোধ কৰিবলৈ হিতাধিকাৰী সকললৈ বেংকৰ একাউন্টৰ জৰিয়তে ধন প্ৰদান কৰি থকা হৈছে। এই আঁচনিখনৰ অধীনত বহুসংখ্যক সামুহিক আৰু ব্যক্তিগত সম্পদৰ সৃষ্টি কৰা হৈছে। ইন্দিৰা আৱাস যোজনাৰ অধীনত বিগত পাচটা

বৰ্ষত ৬,৫৩,৭৪৯ টা গৃহ সম্পূৰ্ণ কৰা হৈছে আৰু চলিত বৰ্ষত ১,৭০,৮৪৯ টা গৃহ নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰা হৈছে।

ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধকালীন পেঞ্চন আঁচনিৰ অধীনত ৬,২৯,৯৪৯ জন বৃদ্ধ লোকলৈ সাহায্য প্ৰদান কৰা হৈছে। বিগত পাঁচটা বছৰত ৰাষ্ট্ৰীয় পৰিয়াল হিত আঁচনিৰ অধীনত ৬০,৪৮৮ টা পৰিয়ালক সাহায্য দিয়া হৈছে আৰু অন্নপূৰ্ণা আঁচনিৰ জৰিয়তে ২৬,৬৪০ টা দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল পৰিচয়-পত্ৰ থকা পৰিয়াললৈ মাহে ১০ কেজিকৈ চাউল বিনামূলীয়াকৈ যোগান ধৰা হৈছে। ২৮,৬২৬ জনী বিধৱাক উপকৃত কৰিবলৈ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনিৰ অধীনত নিৰ্বাচন কৰা হৈছে আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় অক্ষম পেঞ্চন আঁচনিৰ অধীনত ৪,২৫৬ জন হিতাধিকাৰী নিৰ্বাচন কৰা হৈছে।

ইয়াৰ উপৰিও মোৰ চৰকাৰে অনুন্নত অঞ্চল অনুদান পুঁজি আঁচনি (১১ খন জিলাত), জিলা উন্নয়ন পৰিকল্পনা আঁচনি, অসম বিকাশ যোজনা আৰু মুখ্যমন্ত্ৰীৰ জীৱনজ্যোতি স্ব-নিয়োজন যোজনা সমূহ ৰূপায়ণ কৰি আছে। সকলোবোৰ গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তক কম্পিউটাৰ প্ৰদান কৰা হৈছে। অসমৰ পঞ্চায়তসমূহৰ হিচাপসমূহ কম্পিউটাৰকৰণৰ কাম চলি আছে। এই ব্যৱস্থাই প্ৰতিষ্ঠানগত স্বচ্ছতা আৰু আঁচনিসমূহৰ উজু পৰ্য্যবেক্ষণত পাৰ্য্যমানে সহায় কৰিব। তদুপৰি এই প্ৰক্ৰিয়াই গ্ৰামীণ নিকায় সমূহক দায়বদ্ধ সক্ৰিয় তৃণমূল গণতান্ত্ৰিক প্ৰতিষ্ঠান হিচাপে পৰিগণিত হ'বলৈ সুদৃঢ় কৰিব।

**সমবায় ঃ**

ৰাজ্যখনৰ সমবায় পৰিগাঁথনিটোক শক্তিশালীকৰণৰ বাবে মোৰ চৰকাৰে কিছুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। সমবায় আন্দোলনক বৃত্তিগতভাবে চলাহি নিয়া, স্বেচ্ছামূলকভাবে গঠন আৰু গণতান্ত্ৰিকভাবে নিয়ন্ত্ৰণ কৰাৰ অৰ্থে অসম সমবায় সমিতি বিধেয়ক, ২০০৭ খন ইতিমধ্যে গৃহীত কৰা হৈছে আৰু ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতিৰ পৰামৰ্শাৱলীসমূহ এই বিধেয়ক খনত অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া চলি আছে। ৰাজ্যখনৰ সমবায় আন্দোলনক পুনৰুজ্জীৱিতকৰণৰ বাবে মন্ত্ৰী গোটৰ সমিতি এখন গঠন কৰা হৈছে



আৰু এই সমিতিখনৰ প্ৰতিবেদন বিবেচনাধীন হৈ আছে। পশ্চিম অসম দুগ্ধ উৎপাদন সমবায় সংঘ পৰিসীমিত, পূৱ অসম দুগ্ধ উৎপাদন সমবায় সংঘ পৰিসীমিত আৰু অসম পলিয়েষ্টাৰ সমবায় সমিতি পৰিসীমিত (এপোল) ৰ পুনৰুজ্জীৱিতকৰণৰ বাবে পদক্ষেপ লোৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত মহিলা সমিতি সমূহলৈ সাহায্য প্ৰদান কৰা হৈছে। হ্ৰস্বকালীন সমবায় ঋণ পৰিগাঁথনিৰ পুনৰুজ্জীৱিতকৰণৰ অংশ হিচাপে অতীতৰ ঋণৰ পৰিশোধ কৰিবলৈ অসম কোঅ'পাৰেটিভ এপেক্স বেংক লিমিটেডক ২০.৮৩৫ কোটি টকা প্ৰদান কৰা হৈছে যাতে ৰাজ্যখনৰ গাঁও পঞ্চায়ত সমবায় সমিতিসমূহে নতুন পুঁজি লাভ কৰিবলৈ সক্ষম হয়। "অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনা বিশ্ববিদ্যালয়" নামেৰে শিৱসাগৰত এখন সমবায় বিশ্ববিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

**ভূমি সংৰক্ষণ ঃ**

কৃষি উৎপাদন বৃদ্ধি আৰু ভূমি স্থিৰতাৰ বাবে ভূমি আৰু জল সংৰক্ষণৰ পদক্ষেপবোৰ হ'ল এক অবিচ্ছেদ্য উপাদান। এই উদ্দেশ্যে ৰাজ্যখনৰ বিভিন্ন অংশত বহুসংখ্যক কৰ্ম আঁচনি ৰূপায়ণ কৰি থকা হৈছে। বানপানী প্ৰৱণ নদীৰ বাবে থকা কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিৰ অধীনত ছিংগলা আৰু ধনশিৰি অঞ্চলৰ কৃষিভূমি উন্নীত কৰা হৈছে। উত্তৰ-পূৱ পৰিষদৰ পুঁজিৰ অধীনত শোণিতপুৰ জিলাত আমলোগা-বৰ্ষাপুৰ ভূমি সংৰক্ষণ আৰু জলবিতৰণ প্ৰকল্প ৰূপায়ণ কৰা হৈছে তথা কামৰূপ (মহানগৰ) জিলাৰ বৃহত্তৰ গুৱাহাটীত জৈৱ বিবিধতা সংৰক্ষণৰ বশিষ্ঠ-বাহিনী জলচ্ছেদ প্ৰকল্পটো ৰূপায়ণ কৰা হৈছে। ৰবৰ বোৰ্ডৰ সহযোগত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত গোৱালপাৰা, কামৰূপ (গ্ৰামীণ), কামৰূপ (মহানগৰ), বঙ্গাইগাওঁ আৰু দৰং জিলাত ৰবৰ গছৰ পুলি ৰোপনৰ ব্যৱস্থা লোৱা হৈছে। অসম শস্য ৰোপন উন্নয়ন নিগম পৰিসীমিতক পুনৰুজ্জীৱিতকৰণৰ বাবে পদক্ষেপ লোৱা হৈছে। সংহত জলচ্ছেদ উন্নয়ন আঁচনি নামৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিখন ৰূপায়ণৰ বাবে ভূমি সংৰক্ষণ বিভাগক মুখ্য বিভাগ হিচাপে ঘোষণা কৰা হৈছে।

## পৰিৱেশ আৰু বন ঃ

চহকী উদ্ভিদ আৰু প্ৰাণীৰ বাবে অসম বিখ্যাত । অসমৰ বনাঞ্চলৰ সংৰক্ষণ আৰু বৃদ্ধিৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ গ্ৰহণ কৰি আহিছে । মানাহ ব্যঘ্ৰ প্ৰকল্পৰ উপৰিও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানক ব্যঘ্ৰ প্ৰকল্প হিচাপে চৰকাৰে ঘোষণা কৰিছে যাতে ৰাষ্ট্ৰীয় উদ্যান কেইখনত বাঘ সহ অন্যান্য প্ৰধান বন্যপ্ৰাণী সমূহ উপযুক্ত ভাবে সংৰক্ষণ হয় । মানাহ ব্যঘ্ৰ প্ৰকল্পত গঁড়ৰ সংখ্যা বৃদ্ধি কৰিবলৈ কাজিৰঙা আৰু পবিতৰাৰ পৰা উক্ত প্ৰকল্পলৈ গঁড় স্থানান্তৰিত কৰা হৈছে । বন্য প্ৰাণীৰ চোৰাং চিকাৰ ৰোধ কৰাৰ অৰ্থে বন্যপ্ৰাণী হত্যাৰ অপৰাধ আজীৱন কাৰাদণ্ড পৰ্য্যন্ত কঠোৰ আৰু এই অপৰাধক জামিন বিহীন অপৰাধ হিচাপে স্বীকৃতি প্ৰদান কৰি ১৯৭২ চনৰ বন্যপ্ৰাণী (সংৰক্ষণ) আইনখন সংশোধন কৰা হৈছে । মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত সীমিত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে আৰু এই সংঘাতৰ বলি হোৱা জনৰ এককালীন সাহায্যৰ পৰিমাণ ৪০,০০০ টকাৰ পৰা ১ লাখলৈ বৃদ্ধি কৰা হৈছে ।

বন সংস্থা সমূহে লোৱা আঁচনি সমূহৰ উচিত ৰূপায়ণ আৰু পৰ্য্যবেক্ষণৰ নিশ্চিতিকল্পে চলিত বৰ্ষত ৰাজ্যিক বন উন্নয়ন সংস্থা গঠন কৰা হৈছে । বনাঞ্চল বৃদ্ধিৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে । চলিত বৰ্ষত অসম বিকাশ যোজনা সহ ৰাজ্যিক পৰিকল্পনা, ৰাষ্ট্ৰীয় বাহ অভিযান, ঔষধি আৰু সুগন্ধি গছপুলি, চি এ এম পি এ ইত্যাদিৰ লেখিয়া কেন্দ্ৰীয় আঁচনিৰ অধীনত ১৮,০০০ হেক্টৰ ভূমিত গছৰোপন তথা ১৮৫.৪৪ হেক্টৰ ভূমিত নাৰ্চাৰী ইতিমধ্যে সৃষ্টি কৰা হৈছে । ২০১১ চনৰ মাৰ্চ মাহৰ ভিতৰত ৭,০১৫ হেক্টৰ ভূমিত অতিৰিক্ত ভাবে ৰোপন আৰু ২৭.০০ হেক্টৰত নাৰ্চাৰী সৃষ্টি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে ।

## ৰাজহুৱা প্ৰতিষ্ঠান ঃ

মোৰ চৰকাৰে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান (পি এচ ইউ) সমূহৰ সংস্কাৰ সাধন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে । এচিয়ান উন্নয়ন বেংকৰ সমৰ্থনপুষ্ট আচাম গৱৰ্ণেন্স এণ্ড পাব্লিক ৰিচোৰ্চ মেনেজমেণ্ট প্ৰজেক্টৰ অধীনত এই কাম হাতত লোৱা হৈছে যাৰ অধীনত ১৪ টা মৃতপ্ৰায় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু অন্যান্য ৰাজহুৱা খণ্ডৰ



প্ৰতিষ্ঠানৰ ২টা ঔদ্যোগিক গোট বন্ধ কৰি দিবলৈ লোৱা হৈছে । এই প্ৰকল্পৰ অধীনত সংস্কাৰ প্ৰক্ৰিয়াক নিৰীক্ষণ কৰিবলৈ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ সংস্কাৰৰ বাবে এক কৰ্মবাহিনী গঠন কৰা হৈছে । ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ বাবে এখন দৰমহা সংশোধনী সমিতি গঠন কৰা হৈছে । সমিতিয়ে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছে যিটো বৰ্ত্তমান ৰূপায়ণৰ বাবে বিবেচনা কৰি থকা হৈছে । ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাম-কাজ, দায়বদ্ধতা আৰু পৰ্য্যবেক্ষণ উন্নত কৰাৰ অৰ্থে কেবাটাও ব্যৱস্থা হাতত লোৱা হৈছে । এই উদ্দেশ্যে বহিঃপৰিচালনা প্ৰতিষ্ঠানৰ সেৱা গ্ৰহণ কৰাৰ দ্বাৰা প্ৰশিক্ষণৰ আৱশ্যকতা বিশ্লেষণৰ সৈতে বুজাবুজি চুক্তিৰ ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তন আৰু প্ৰতিষ্ঠানিক ৰূপ দিয়াৰ অৰ্থে ব্যৱস্থা হাতত লোৱা হৈছে । দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী ইন্ চাৰ্ভিচ প্ৰোগ্ৰেম আৰু এক্সিকিউটিভ ডেভেল'পমেণ্ট এণ্ড চেঞ্জ মেনেজমেণ্ট প্ৰোগ্ৰেমৰ বাবে এখন সামৰ্থ বৃদ্ধি আঁচনি প্ৰৱৰ্ত্তন কৰা হৈছে । বিভিন্ন কাম-কাজ আৰু বিত্তীয় অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহক শ্ৰেণীভূক্ত কৰিবলৈ লোৱা হৈছে আৰু আটাইতকৈ ভাল কাম কৰা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰক পুৰস্কাৰ প্ৰদান কৰিবলৈ প্ৰস্তাৱ হাতত লোৱা হৈছে ।

## উদ্যোগ আৰু বাণিজ্য ঃ

২০১২ চনৰ ভিতৰত গেছ ক্ৰেকাৰ প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠাৰ লগে লগে এখন প্লাষ্টিক উদ্যান স্থাপন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে য'ত ভাবে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ অৰ্থে গেছ ক্ৰেকাৰ প্ৰকল্পৰ কেঁচা সামগ্ৰীৰ ওপৰত ভিত্তি কৰি নিম্নবাহী উদ্যোগ হিচাপে ৫০০ ত কৈ অধিক উদ্যোগ স্থাপন কৰিব পাৰি । বিগত চাৰি বছৰত প্ৰায় ৪৩,০০০ লোকৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ অৰ্থে ক্ষুদ্ৰ /সৰু /মজলীয়া ধৰণৰ ৬৭৯৫ টা গোট স্থাপন কৰা হৈছে । বাহ উদ্যোগ, মৰাপাট উদ্যান আৰু বস্ত্ৰ উদ্যান স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ লোৱা হৈছে । নাথকুছিত স্থাপন কৰিবলৈ লোৱা বৃহৎ খাদ্য উদ্যানৰ কাম বৰ্ত্তমান চলি আছে । সীমান্ত বাণিজ্যক সহজ কৰি তুলিবলৈ সুতাৰকান্দিত থকা বাণিজ্য কেন্দ্ৰটো কাৰ্য্যক্ষম কৰি তোলা হৈছে আৰু মান কাচাৰত থকা বাণিজ্য কেন্দ্ৰটো উদ্বোধন কৰিবলৈ সাজু কৰি তোলা হৈছে । তিনিচুকীয়া জিলাৰ জাগুনৰ কাষত ষ্টিলৱেল পথৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সহায়ক কেন্দ্ৰটো স্থাপন কৰিবলৈ লোৱা হৈছে ।

ক্ষুদ্ৰ, সৰু আৰু মজলীয়া ধৰণৰ উদ্যোগ সমূহৰ মাজত প্ৰতিযোগিতা ভাব জগাই তুলিবলৈ চলিত বৰ্ষত আচাম এন্টাৰপ্ৰিনিঅৰ এ ৱাৰ্ড, ২০১০ নামৰ এখন নতুন আঁচনি প্ৰৱৰ্ত্তন কৰা হৈছে। বিনিয়োগকাৰী সকলক সমস্যা মুক্ত পৰিবেশ প্ৰদান কৰাৰ অৰ্থে এন্টাৰপ্ৰিনিঅৰচ মেমোৰেণ্ডাম ১ আৰু ২ ৰ অনলাইন দাখিলৰ বিধি প্ৰৱৰ্ত্তন কৰা হৈছে। প্ৰায় ৩.৫ লাখ পৰিয়ালক সহায় কৰাৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ পৰা সংগৃহীত উপকৰ যাতে তেওঁলোককে ওভটাই দিব পাৰি তাৰ বাবে এই উপকৰ ব্যৱহাৰৰ বাবে এক নতুন নীতিত অনুমোদন জনোৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত ৰাজ্যখনৰ বাহিৰত আৰু ভিতৰত যুৱক-যুৱতী সকলৰ দক্ষতা বৃদ্ধিৰ ব্যৱস্থা হাতত লোৱা হৈছে। উদ্যোগজ্যোতি আঁচনিৰ অধীনত ছাত্ৰ-ছাত্ৰী সকলক উদ্যোগ স্থাপনৰ প্ৰতি উৎসাহ যোগোৱা হৈছে। মুখ্যমন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ যুৱক-যুৱতী আৰু আত্ম সহায়ক গোট সমূহলৈ নিৰ্দ্দিষ্ট কেতবোৰ খণ্ডত সা-সৰঞ্জাম আৰু মেচিন আদি যোগান ধৰিবলৈ বিচৰা হৈছে।

## হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ঃ

ৰাজ্যখনৰ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনত হস্ততাঁত বয়নে এক গৌৰৱোজ্জ্বল স্থান অধিকাৰ কৰি আছে। এই খণ্ডটোত থকা গুৰুত্বৰ বাবে কেবাখনো আঁচনি হাতত লোৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত ২০০৭-০৮ বৰ্ষৰ পৰা ২০০৯-১০ বৰ্ষলৈ এই তিনি বছৰত সূতা আৰু কম্বল বিতৰণৰ জৰিয়তে ২০,৩৭,৫৫৬ গৰাকী দুখীয়া লোকক সাহায্য আগবঢ়োৱা হৈছে আৰু ২০১০-১১ বৰ্ষত এই আঁচনিৰ অধীনত আন ২৫২৩০৪৯ গৰাকী দুখীয়া লোকক সহায় কৰিবলৈ লোৱা হৈছে। হস্ততাঁত উৎপাদিত সামগ্ৰীৰ বজাৰখনক উৎসাহিত কৰাৰ অৰ্থে আন কেইখনমান আঁচনিৰ ৰূপায়ণৰ কাম চলি আছে। সেইকেইখন হ'ল বিনামূলীয়া তাঁতশাল আৰু সঁজুলি যোগান ধৰা সাহায্য মঞ্জুৰী আঁচনি, সংহত হস্ততাঁত উন্নয়ন আঁচনি, অৰ্থনৈতিক উন্নয়ন আঁচনি, শিপিনী সকলৰ বাবে স্বাস্থ্য বীমা আঁচনি, শিপিনী সকলৰ বাবে জীৱন বীমা আঁচনি আৰু বজাৰ উদগণি আঁচনি। ৭০.০০ কোটি টকাৰ নিৰ্দ্ধাৰিত প্ৰকল্প ব্যয়ত শিৱসাগৰ জিলাখনক এক বৃহৎ হস্ততাঁত গোট হিচাপে গঢ়ি তুলিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে যিটো ৫ বছৰত সম্পূৰ্ণ কৰা হ'ব আৰু ৰাজ্যখনৰ হস্ততাঁত আৰু ৰেচম খণ্ডটোক এক উন্নত পৰ্য্যায়লৈ নিয়াৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।



আমাৰ দেশৰ মুঠ মুগা পাট উৎপাদনৰ ৯৯% মুগা পাট আৰু ৬৫ শতাংশ এড়ী পাট উৎপাদনেৰে অনা নুনী পাট সূতাৰ খণ্ডটোত অসমে আগস্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই খণ্ডটোত মোৰ চৰকাৰে কেইবাখনো আঁচনি গ্ৰহণ কৰিছে, যেনে - পাট পলুৰ খাদ্যৰ বাবে গছ ৰোপন আঁচনি, গুণগত মুগা আৰু এৰী লেটা উৎপাদনৰ বাবে ব্যক্তিগত পালকক সংগঠিতকৰণ, বিজ্ঞান সন্মত পাট পলু পালনৰ বাবে কৃষক সকললৈ জলসিঞ্চনৰ সা-সুবিধা প্ৰদান ইত্যাদি। বিশেষ ভাবে নিৰ্মাণ কৰা প্ৰমাণিকৃত তাঁতশালৰ সুবিধা আৰু বৰ্ত্তমানৰ তাঁতশাল সমূহৰ উন্নীতকৰণৰ জৰিয়তে গুণগত উৎপাদন লাভ কৰাৰ বাবে নলবাৰীত লেটাৰ পিছৰ অৱস্থাৰ এটা গোট স্থাপন কৰা হৈছে। কামৰূপ (গ্ৰাম্য) জিলাৰ অধীনত ৰাণীত এৰীৰ বাবে এক বিশেষ উদগণি গোট স্থাপন কৰিবলৈ বিচৰা হৈছে। অসমৰ ভৈয়াম অঞ্চল সমূহত বৰ্ত্তমানৰ ১৯৭ খন ৰেচম পাম আৰু কেন্দ্ৰক উন্নীতকৰণ আৰু আধুনিকীকৰণৰ বাবে প্ৰস্তাৱ হাতত লোৱা হৈছে।

## স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ

যোৱা ৫ বছৰত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ পৰ্য্যায়ৰ স্বাস্থ্যখণ্ডত অসমে যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছে। এই খণ্ডটোৱে বিশেষকৈ গ্ৰামাঞ্চলৰ জনসাধাৰণক সহজে পাব পৰা, বহন কৰিব পৰা আৰু ৰোগীৰ সহায়ক হোৱা স্বাস্থ্যৰ সা-সুবিধা আগবঢ়াইছে। ৩৪৩ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই সপ্তাহটোৰ প্ৰতিটো দিনৰ ২৪ ঘন্টাই অনবৰতে প্ৰসুতি সেৱা আগবঢ়াই আছে। ১৯ টা বিশেষ নৱজাত শিশুক যতন ধৰা গোট আৰু ৪০২ টা নৱজাতক সুৰক্ষা প্ৰদানকাৰী গোট গঠন কৰা হৈছে। বহিঃ বিভাগ আৰু আন্তঃৰোগী সেৱাৰ বৃদ্ধিৰে প্ৰতিষ্ঠানিক প্ৰসৱৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে। গৰ্ভৱতী মাতৃলৈ পৰিপুষ্টি যোগান আঁচনি (মামণি) ৰ অধীনত এতিয়ালৈকে ৭.৮২ লাখ গৰাকী গৰ্ভৱতী মহিলা উপকৃত হৈছে। একেদৰে কন্যা শিশুৰ বাবে নিৰাপত্তা প্ৰদান আঁচনি (মাজনী) ৰ অধীনত প্ৰতিটো এনে কন্যা শিশুৰ বাবে ৫০০০ টকাৰ স্থিৰ জমা প্ৰদানৰ দ্বাৰা ৯৩,৩০০ টা কন্যা শিশুলৈ সহায় আগবঢ়োৱা হৈছে। 'মৰম' আঁচনিৰ অধীনত এতিয়ালৈকে ১,০০,০০০ গৰাকীতকৈ অধিক ৰোগী উপকৃত হৈছে। এই আঁচনিৰ অধীনত হাস্পাটালত থকা সময়চোৱাত হাস্পাটালত চিকিৎসাধীন হৈ থকা দুখীয়া ৰোগী সকলৰ হাজিৰাৰ ক্ষেত্ৰত হোৱা ক্ষতিৰ ক্ষতিপূৰণৰ অৰ্থে বিত্তীয় সাহায্য

আগবঢ়োৱা হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনাৰ অধীনত ২,০৩,৮৯১ টা দৰিদ্ৰ সীমাৰেখাৰ অধীনৰ পৰিয়ালৰ নাম অন্তৰ্ভূক্ত কৰা হৈছে। অসম বিকাশ যোজনাৰ অধীনত ২৬,০০০ 'আশা' কৰ্মীৰ প্ৰতি গৰাকীকে এখনকৈ চাইকেল প্ৰদান কৰা হৈছে।

২৪০.০০ কোটি টকাৰ ব্যয়ত ৬০ টা বিধান সভা সমষ্টিৰ গ্ৰামাঞ্চলত ৬০ খন আদৰ্শ হাস্পাটাল নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এনে প্ৰতিখন হাস্পাটালৰ বিপৰীতে ৪ কোটিকৈ টকা ধৰা হৈছে। চাহ বাগান এলেকাৰ ২৪৮ খন হাস্পাটালক চাহবাগান এলেকাৰ স্বাস্থ্য খণ্ডৰ উন্নয়ন সাধনৰ অৰ্থে প্ৰতিখন হাস্পাটালকে ১৫.০০ লাখ টকা আৰু এখন এম্বুলেঞ্চ যোগান ধৰা হৈছে। নদীৰ ওচৰৰ এলেকা আৰু চৰ অঞ্চলত ৫০ টা নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। বঙাইগাঁও, আমিনগাঁও (কামৰূপ), মছলপুৰ (বাক্সা), ধুবুৰী আৰু ওডালগুৰিত ৫ খন জিলা হাস্পাটালৰ নিৰ্মাণৰ কাম ক্ষিপ্ৰ গতিত চলি আছে। চিকিৎসক, পেৰা মেডিকেল আৰু অন্যান্য চিকিৎসা কৰ্মীৰ সংখ্যা বৃদ্ধি কৰাৰ অৰ্থে ২০,৪৬৬ গৰাকীতকৈও অধিক লোকক ঠিকা ভিত্তিক নিযুক্তি প্ৰদান কৰা হৈছে। ২৭ খন জিলাতে জৰুৰী সহাৰি সেৱা (মৃত্যুঞ্জয়-১০৮) এ তেওঁলোকৰ সেৱা আগবঢ়াই আছে।

প্ৰথম বাৰ্ষিক এম বি বি এছ পাঠ্যক্ৰমত ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীক নাম ভৰ্তিকৰণৰ জৰিয়তে ২০১০ চনত যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটালৰ কাম আৰম্ভ কৰা হৈছে। বৰপেটা আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য ক্ষিপ্ৰ গতিত চলি আছে। ডিফু আৰু নগাঁৱত দুখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ প্ৰক্ৰিয়া চলি আছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটাল, অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটাল, ডিব্ৰুগড় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটালৰ প্ৰতিখনলৈকে ১০০ কোটি টকাতকৈ অধিক বিত্তীয় সাহায্য আগবঢ়োৱাৰ দ্বাৰা চিকিৎসা সা-সঁজুলিৰ যোগান আৰু চিকিৎসা কৰ্মী নিয়োগৰ জৰিয়তে এই আটাইকেইখন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটালৰ শক্তি বৃদ্ধি কৰা হৈছে। জি এন এমৰ নাটনি পুৰণ কৰাৰ অৰ্থে নতুন জি এন এম বিদ্যালয় আৰু বি. এচ. চি নাৰ্চিং মহাবিদ্যালয় স্থাপন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটাল, অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটাল আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটালত বিভিন্ন ১২ খন



আঁচনিৰে সৈতে পেৰা মেডিকেল চাইন্সৰ তিনিখন প্ৰতিষ্ঠান স্থাপন কৰা হৈছে আৰু ইয়াৰ কাম-কাজ চলি আছে। ফাৰ্মাচিউটিকেল বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰদান কৰাৰ অৰ্থে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাটালত এই বিজ্ঞানৰ এখন ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আৰম্ভ কৰা হৈছে। বৃক্ক সংৰোপন, জন্মগত হৃদযন্ত্ৰৰ ৰোগ আৰু হৃদযন্ত্ৰত ফুটা থকা আৰু ফটা ওঁঠ থকা শিশুৰ শৈলচিকিৎসাৰ বাবে সাহায্য প্ৰদান কৰা হৈছে।

গড়কাপ্তানি ঃ

ৰাজ্যৰ জনসাধাৰণক সকলো বতৰৰ উপযোগী পথৰ দ্বাৰা সংযোগ কৰাৰ ওপৰত মোৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। এতিয়ালৈকে প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ (পি এম জি এচ ওৱাই) ৰ অধীনত ৯১৪৩ কিঃ মিঃ দৈঘ্যৰ সকলো বতৰৰ উপযোগী পথ আৰু ৬৯৫ খন পকী দলং নিৰ্মাণৰ দ্বাৰা ১০০০ তকৈ অধিক লোকে বসবাস কৰা ৪১৬৫ সংখ্যক, ৫০০ তকৈ অধিক লোকে বসবাস কৰা ১৭০২ সংখ্যক আৰু ৫০০ তকৈ কম লোকে বসবাস কৰা ১২৪৭ সংখ্যক এলেকাক সংযোগ কৰা হৈছে। কেইবাখনো আঁচনিৰ অধীনত অসমত পথ আৰু দলং নিৰ্মাণ কৰি থকা হৈছে। অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প (এ এ চি পি) ৰ ৬২৭ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ১৭০ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে, মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনি (এম এম পি এন এ) ৰ অধীনত ৯৩৪ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু দুখন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে, গ্ৰাম্য আন্তঃগাঠনি উন্নয়ন পুঁজি (আৰ আই ডি এফ) ৰ অধীনত ৪৪৭ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ২৬৮ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে, অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি শিতান (এন এন চি পি আৰ) ৰ অধীনত ১২২ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ১০৯ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। কেন্দ্ৰীয় পথ পুঁজি (চি আৰ এফ) ৰ অধীনত ৭২৬ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ২৭ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। উত্তৰ পূৱ পৰিষদ (এন ই চি) ৰ অধীনত ১৯৫৩ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ৩২৭ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু অসম বিকাশ যোদনাৰ অধীনত ২৪ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ২ খন পকী দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ পকী দলং নিৰ্মাণ আঁচনি (এম পি ডি অ এ) ৰ অধীনত আটাইতকৈ দূৰণিবতীয়া গাঁও সমূহক সংযোগ কৰাৰ অৰ্থে ১৭১ খন দলঙক পকী দলং হিচাপে নিৰ্মাণ কৰাৰ কাম হাতত লোৱা হৈছে। সম্প্ৰতি ৮০০০ কিঃ মিঃ দৈঘ্যৰ পথ আৰু ১,৪০০ খন পকী দলং নিৰ্মাণৰ কাম বিভিন্ন পৰ্য্যায়ত আছে।

অসমত অসম গড়কাপ্তানি বিভাগৰ অধীনত মুঠ ১৯৫০.৬৫ কিঃ মিঃ দৈৰ্ঘ্যৰ ২৪ টা ৰাষ্ট্ৰীয় ঘাইপথ আছে। যোৱা ৫ বছৰত ৰাষ্ট্ৰীয় ঘাই পথ উন্নয়নৰ বাবে ১২৮০.৬৪ কোটি টকা ব্যয় কৰা হৈছে। ই ৬০৮ কিঃ মিঃ দৈঘ্যৰ পথৰ উন্নয়ন, ৫০৮ কিঃ মিঃ দৈঘ্যৰ পথৰ মেৰামতি আৰু ৩ খন দলং নিৰ্মাণৰ কাম সামৰি লৈছে। চলিত বৰ্ষত পূব-পশ্চিম কৰিড'ৰৰ নিচিনা প্ৰধান পথ সমূহক সংযোগ কৰি ৰাষ্ট্ৰীয় ঘাইপথ সমূহৰ কৰিড'ৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এচ এ আৰ ডি পি এন ই, পৰ্য্যায় কৰ অধীনত জিলাৰ মুখ্য কাৰ্য্যালয় সমূহক সংযোগ কৰি মুঠ ১৮৩.৯৪৯ কিঃ মিঃ দৈৰ্ঘ্যৰ ১০ টা ৰাজ্যিক পথক দুটা লেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰ্য্যায়লৈকে উন্নীত কৰণৰ অৰ্থে কাম হাতত লোৱা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত বগীবিল দলঙক সংযোগ কৰি ১৮২.৪৮ কোটি টকা ব্যয়ত ১৬.৫৬৫ কিঃ মিঃ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ উপ-পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। অসমৰ বিভিন্ন ঠাইত ৪৪ টা ৰাজহ চক্ৰ কাৰ্য্যালয়ৰ গৃহ নিৰ্মাণ কাৰ্য্য, কেবাটাও কৰ ভৱনৰ নিৰ্মাণ কাৰ্য্য আৰু কেইবাটাও কোষাগাৰ গৃহৰ নিৰ্মাণ কাৰ্য্য হাতত লোৱা হৈছে।

## জন স্বাস্থ্য কাৰিকৰী ঃ

২০০৯-১০ বৰ্ষলৈকে বিগত ৫ বছৰত ভাৰত নিৰ্মাণ আঁচনিৰ অধীনত ২১,৮১০ টা সামৰি নোলোৱা আৰু আংশিক ভাৱে সামৰি লোৱা বসতি এলেকাক সম্পূৰ্ণ পানী যোগানৰ সুবিধা প্ৰদান কৰা হৈছে, ৯২২৮ সংখ্যক নিম্ন মানদণ্ডৰ পানী থকা বসতি এলেকাৰ পানীৰ গুণগত সমস্যাক বিকল্প উৎস প্ৰদানৰ জৰিয়তে সমাধান কৰা হৈছে আৰু ১৫৮৭৬ খন গ্ৰাম্য নিম্ন প্ৰাথমিক বিদ্যালয় আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত খোৱা পানী যোগানৰ সুবিধা প্ৰদান কৰা হৈছে। চলিত বৰ্ষত ৪৩৩৯ টা সামৰি নোলোৱা বসতি এলেকাক, ৩৮১৮ টা নিম্ন মানদণ্ডৰ পানী থকা বসতি এলেকা আৰু ২৭২৮ খন গ্ৰাম্য প্ৰাথমিক বিদ্যালয়ক সামৰি লবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। অসম বিকাশ যোজনাৰ অধীনত অসম চাহ নিগমৰ অধীনৰ চাহ বাগান এলেকাত, দূৰৱৰ্ত্তী গাঁৱৰ পানীৰ অভাৱগ্ৰস্ত বসতি এলেকাত, চৰ অঞ্চল আৰু অনুসূচিত জাতি তথা অনুসূচিত জনজাতিৰ লোক বসবাস কৰা এলেকাত ৬০ খন পাইপেৰে পানী যোগান ধৰা আঁচনি আৰু ২৯৮৯ টা থাউকতে পোৱা পানীৰ উৎস প্ৰদান কৰা হৈছে। মুঠ অনাময় অভিযানৰ অধীনত বিদ্যালয় অনাময় ব্লক, অংগনবাদী কেন্দ্ৰৰ প্ৰস্ৰাৱাগাৰ আৰু দাৰিদ্ৰ সীমা ৰেখাৰ অধীনত



আৰু দাৰিদ্ৰ সীমাৰেখাৰ ওপৰত বাস কৰা ব্যক্তিগত ঘৰুৱা শৌচাগাৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ২৪ খন গাঁও পঞ্চায়তক সম্পূৰ্ণ পৰিবেশ অনাময়ৰ বাবে নিৰ্মল গ্ৰাম পুৰস্কাৰেৰে পুৰস্কৃত কৰা হৈছে। খোৱা পানীৰ সমস্যা থকা চৰকাৰী বিদ্যালয়ত বিশুদ্ধ খোৱা পানী যোগান নিশ্চিত কৰিবলৈ জলমণি আঁচনি খন ৰূপায়ণ কৰি থকা হৈছে আৰু এতিয়ালৈকে বিশুদ্ধকৰণ ব্যৱস্থাৰ ২১১৭ টা গোট স্থাপন কৰা হৈছে।

## শিক্ষা ঃ

মোৰ চৰকাৰে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰিবলৈ ৰাজ্যখনত বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই উদ্দেশ্যেৰে ইতিমধ্যে "ক" মান শ্ৰেণীৰ পৰা অষ্টমমান শ্ৰেণীলৈকে শিক্ষাৰ্থী সকলক বিনামূলীয়া পাঠ্যপুথিৰ যোগান ধৰা হৈছে। ইয়াৰ ফলত ৬৪.৬৩ লাখ ছাত্ৰ-ছাত্ৰী ২০০৯-১০ চনত উপকৃত হৈছে। বিগত ৫ বছৰত ছাত্ৰী শিক্ষাৰ্থী সকলক উদগণি দিয়াৰ বাবে ৫০,০০০ হেজাৰ ছাত্ৰীৰ প্ৰত্যেককে ২০০.০০ টকাকৈ প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ সকলো বিদ্যালয়ৰ প্ৰথমমান শ্ৰেণীৰ পৰা অষ্টম মান শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰী সকলক মধ্যাহ্ন ভোজন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। শ্ৰেণীত উপস্থিতি নিয়মীয়াকৰণৰ প্ৰতি দৃষ্টি ৰাখি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰী সকলক বিশেষ জলপানি দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু তাৰ লগতে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ পোচাক, ছাতি তথা অষ্টম মান শ্ৰেণীত পঢ়ি থকা ছাত্ৰী সকলক চাইকেল প্ৰদান কৰা হৈছে। শিক্ষাৰ গুণগত মানদণ্ড উন্নীত কৰিবলৈ বিদ্যালয় সমূহত শিক্ষণ-শিকণ সামগ্ৰীৰ যোগান ধৰা হৈছে। বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱা শিক্ষক তথা বিদ্যালয় সমূহক নগদ ধনেৰে পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ ফলত বৰ্ত্তমান ৰাজ্যখনত বিদ্যালয় বৰ্হিভূত শিশুৰ সংখ্যা ২০০১-০২ চনত থকা ২৪.৩৯ শতাংশৰ পৰা ২০০৯-১০ চনত ১.০৩ শতাংশলৈ হ্ৰাস পাইছে। সৰ্বশিক্ষাৰ অধীনত শৈক্ষিক আন্তঃগাঁথনি উন্নত কৰাৰ বাবে বিদ্যালয় ভৱন নিৰ্মাণ, অতিৰিক্ত শ্ৰেণী কোঠা, ছাত্ৰীৰ বাবে সুকীয়া প্ৰস্ৰাৱাগাৰ তথা উমৈহতীয়া প্ৰস্ৰাৱাগাৰ নিৰ্মাণ আৰু বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে। চলিত বৰ্ষতে পঞ্চম শ্ৰেণীক নিম্ন প্ৰাথমিক আৰু অষ্টম শ্ৰেণীক উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অন্তৰ্ভূক্ত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। উচ্চ প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ সুবিধাৰ্থে নিৰ্বাচিত নিম্ন

প্ৰাথমিক বিদ্যালয়ক উচ্চ প্ৰাথমিক বিদ্যালয়লৈ উন্নীত কৰাৰ লগতে কামৰূপ আৰু কাছাৰ জিলাৰ চহৰাঞ্চলত উচ্চ প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি দুখন আবাসিক বিদ্যালয় গঠনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু লগতে ৫ খন আবাসিক সেতু বন্ধন কেন্দ্ৰ স্থাপন কৰাবো ব্যৱস্থা কৰা হৈছে।

মোৰ চৰকাৰে ৰাজ্যখনত মাধ্যমিক শিক্ষাৰ মান উন্নীত কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চলিত বৰ্ষত ২,০২১ খন স্বীকৃতিপ্ৰাপ্ত হাইস্কুল / হাইমাদ্ৰাছা তথা ১৮৫ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু ২০৪ খন কনিষ্ঠ মহাবিদ্যালয়ক বিত্তীয় সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। ১০ খন পুৰণি তথা সাফল্য দেখুৱাবলৈ সক্ষম হোৱা চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত কৰিবলৈ মোৰ চৰকাৰে প্ৰতিখনক ২০০.০০ লাখ টকাকৈ বিত্তীয় সাহায্য প্ৰদান কৰিছে। দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়ালৰ ২০ জন মেধাবী শিক্ষাৰ্থীক প্ৰতি মাহে ২০০০.০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে, যাতে তেনে ছাত্ৰ-ছাত্ৰীয়ে নাম থকা বিদ্যালয়ত নাম ভৰ্ত্তি কৰি শিক্ষা লাভ কৰিব পাৰে। আনন্দৰাম বৰুৱা বঁটা প্ৰদান আঁচনিৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষা, হাইমাদ্ৰাছা, সংস্কৃত আৰু পালি প্ৰবেশিকা তথা ছিনিয়ৰ মাদ্ৰাছা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সকলো পৰীক্ষাৰ্থীকে একোটাকৈ 'লেপটপ' প্ৰদান কৰা হৈছে। সমপূৰ্ণ গুণগত শিক্ষা প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি হাইস্কুল শিক্ষান্ত পৰ্য্যায়লেকে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (N C E R T) যুগুতোৱা পাঠ্যক্ৰম ৰাজ্যখনৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰযোজ্য কৰা হৈছে। মাদ্ৰাছা শিক্ষাৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত সহায় আগবঢ়োৱা হৈছে।

একাদশ পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ শেষলৈ সাক্ষৰ ভাৰত মিছনে লক্ষ্য নিৰ্দ্ধাৰণ কৰা ৮০ শতাংশ সাক্ষৰতা সম্পূৰ্ণ কৰি তোলাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ ৫ খন জিলা ধেমাজী, শোণিতপুৰ, দৰং, বঙাইগাঁও, কাৰ্বি আংলঙত মহিলা সাক্ষৰতা আঁচনি কাৰ্য্যকৰী কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত কৰিবলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। অসম ইঞ্জিনীয়াৰিং মহাবিদ্যালয়, যোৰহাট ইঞ্জিনীয়াৰিং মহাবিদ্যালয় তথা ৯ খন পলিটেকনিকৰ আন্তঃগাঁথনি উন্নীত কৰিবলৈ বিত্তীয় সাহায্য প্ৰদান কৰিবৰ বাবেও



ব্যৱস্থা লোৱা হৈছে। শিক্ষাৰ ক্ষেত্ৰত মহিলা সকলক আগবঢ়াই নিবলৈ ৰাজ্যত এখন মহিলা বিশ্ববিদ্যালয়ও গঢ়ি তোলা হৈছে। ধেমাজী, গোৱালপাৰা, নগাঁও আৰু কৰিমগঞ্জত চাৰিখন নতুন কাৰিকৰী মহাবিদ্যালয় স্থাপন কৰিবলৈ লোৱা হৈছে।

## সমাজ কল্যাণ ঃ

সংহত শিশু বিকাশ আঁচনিৰ অধীনত ২০০১ চনত ১০৭ টা সংহত শিশু বিকাশ প্ৰকল্প আৰু ১৫,৬৪৭ টা আঙ্গনৱাড়ী কেন্দ্ৰৰ বিপৰীতে ২০০১ চনৰ পৰা এতিয়ালৈকে ১২৪ টা সংহত শিশু বিকাশ প্ৰকল্প, ৪১,০৮১ টা অঙ্গনৱাড়ী কেন্দ্ৰ আৰু ২,৯৬৭ টা ক্ষুদ্ৰ অঙ্গনৱাড়ী কেন্দ্ৰৰ মঞ্জুৰী দিয়া হৈছে। এই আঁচনিখন সমগ্ৰ ৰাজ্যতে সাৰ্বজনীন কৰি তোলাৰ লগতে ইয়াৰে পৰিপূৰক ৰূপে পুষ্টিসাধন আঁচনিখনে কিছু ধীৰ গতিৰে আগবঢ়া স্বত্বেও মহিলা আৰু শিশু সকলৰ মাজত অপৰিপুষ্টিৰ হ্ৰাস হৈ যথেষ্ট অৱস্থান্নোতি ঘটিছে। শাৰীৰিক ভাবে অক্ষম লোকৰ (সমসুযোগ, অধিকাৰ সুৰক্ষা আৰু পূৰ্ণ সহযোগিতা) আইন, ১৯৯৫ খন অক্ষম লোকৰ আয়ুক্ত কাৰ্য্যালয়ৰ দ্বাৰা ৰাজ্যজুৰি ৰূপায়ণ কৰি থকা হৈছে। মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনিয়ে দুৰ্ঘটনা জনিত কাৰণত মৃত্যু বা অঙ্গক্ষত হোৱা লোকক উপকৃত কৰিছে। তদুপৰি গ্ৰাম্য মহিলা সকলক অৰ্থনৈতিক ভাবে স্বাৱলম্বী কৰি তুলিবলৈ মহিলা সমৃদ্ধি যোজনাও প্ৰযোজ্য কৰা হৈছে। "আম আদমী বীমা যোজনা"ৰ জৰিয়তে সমাজৰ অৰ্থনৈতিক ভাবে দুৰ্বল লোক সকলক সামৰি লৈছে। হৰিজন সকলৰ উন্নতিৰ বাবে মোৰ চৰকাৰে ফলপ্ৰসু ব্যৱস্থা গ্ৰহণেৰে সাহায্য আগবঢ়াইছে। ৰাজ্য খনৰ অসংগঠিত চুক্তিবদ্ধ বনুৱা তথা নিবনুৱা অবিবাহিত মহিলা আৰু বিধৱা মহিলা সকলক বিত্তীয় সাহায্যও আগবঢ়োৱা হৈছে। তদু পৰি মহিলা আয়োগৰ বাবে ভৱন নিৰ্মাণ তথা মহিলা উন্নয়ন পৰিষদো গঠন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা ঃ

মোৰ চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাজসাহায্য মূলক চাউল, আটা, চেনী আৰু কেৰাচিন তেলৰ যোগান ধৰি আহিছে। অন্ত্যোদয়া অন্নযোজনাৰ অধীনত

প্ৰায় ৭ লাখ অতি দুখীয়া পৰিয়ালে প্ৰতি কেজিত ৩ টকা মূল্যৰ চাউল লাভ কৰি আছে আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ আঁচনিৰ অধীনত প্ৰায় ১২ লাখ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালক প্ৰতি কেঃ জিঃ ত ৬.১৭ ৰ পৰা ৬.২৭ টকা ৰাজ সাহায্য দৰত চাউল দিয়া হৈছে। দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আঁচনিৰ অধীনত ৩৮.৮১ লাখ দৰিদ্ৰ সীমাৰেখাৰ ওপৰত বসবাস কৰা পৰিয়াললৈ চাউল, সুলভ মূল্যৰ চেনী, নীলা কেৰাচিন তেল, আটা ইত্যাদিও যোগান ধৰি থকা হৈছে। ৰন্ধনজ্যোতি আঁচনিৰ অধীনত বিধৱা, দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ মহিলা আৰু আত্মসহায়ক গোটৰ সদস্যলৈ বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰা হৈছে। উপভোক্তা সকলৰ অধিকাৰ সমূহ সুৰক্ষিত কৰিবলৈ অসম ৰাজ্যিক উপভোক্তা বিবাদ নিৰাময় আয়োগ আৰু ২৩ খন জিলা উপভোক্তা বিবাদ নিৰাময় ফোৰামে কাম-কাজ চলাই আছে। উপভোক্তাৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ওজন আৰু জোখ-মাখ বিষয়ৰ বহুতো আইন আৰু নিয়ম বলৱৎ কৰা হৈছে।

## সীমান্ত অঞ্চল ঃ

অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু পশ্চিমবঙ্গৰ লগত অসমৰ ২,১০০ কিঃ মিঃ ৰ আন্তঃৰাজ্যিক সীমা আছে। এই অঞ্চল বিলাক আওঁহতীয়া আৰু অঞ্চল সমূহৰ সৰ্বাঙ্গীন আৰ্থ-সামাজিক বিকাশৰ প্ৰয়োজন। এই অঞ্চল সমূহৰ পথ যোগাযোগ, খোৱা পানীৰ যোগান ব্যৱস্থা, স্বাস্থ্য সুবিধা, গাঁও সমূহৰ বিজুলী যোগান, শৈক্ষিক সা-সুবিধা আৰু সামূহিক গৃহ নিৰ্মাণৰ বাবে মোৰ চৰকাৰে কিছু সংখ্যক আঁচনি গ্ৰহণ কৰি আছে। নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু মেঘালয়ৰ লগত থকা সীমান্ত অঞ্চল সমূহৰ বাবে অসম বিকাশ যোজনা, নিৰ্দ্দিষ্ট অঞ্চল পুঁজি, বিকেন্দ্ৰীকৃত পৰিকল্পনা তথা বি ও পি আঁচনিৰ অধীনত চলিত বৰ্যত ১৬৭৪.৩০ লাখ টকা এই উদ্দেশ্যে প্ৰদান কৰা হৈছে। বাংলাদেশ আৰু ভূটানৰ লগতো অসমৰ ৫৩২ কিঃ মিঃৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত আছে। ভাৰত ভূটান সীমান্ত অঞ্চলত নিৰাপদ খোৱাপানীৰ যোগান, পথ যোগাযোগ, স্বাস্থ্য আৰু শৈক্ষিক সা-সুবিধা উপলব্ধ কৰণেই হ'ল প্ৰধান অগ্ৰাধিকাৰ। আনহাতে ভাৰত বাংলাদেশ সীমান্ত অঞ্চলত পথ যোগাযোগ আৰু নিৰাপদ খোৱা পানী উপলব্ধকৰণ সহ বানপানীৰ সময়ত বানাক্ৰান্ত জনসাধাৰণ



আৰু পশুধনৰ আশ্ৰয় উপলব্ধকৰণেই হ'ল অগ্ৰাধিকাৰৰ বিষয়। অংশ গ্ৰহণ প্ৰচেষ্টাৰ মাধ্যমত আঁচনি সমূহৰ সমকেন্দ্ৰীকতাৰ জৰিয়তে এই অঞ্চল সমূহৰ কায়িক আৰু সামাজিক আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে চলিত বৰ্যত সীমান্ত অঞ্চল উন্নয়ন আঁচনিৰ অধীনত ৪০০০.০০ লাখ টকা আৱন্টনেৰে কিছু সংখ্যক আঁচনি লোৱা হৈছে।

## অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ ঃ

মোৰ চৰকাৰে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ উন্নয়নত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আহিছে। এই উদ্দেশ্যে ৭ খন স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হৈছে আৰু চলিত বৰ্যত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলক (বি টি চি) ২৪২.০০ কোটি টকা, ৰাভা হাছং স্বায়ত্ত পৰিষদক ২৪.৬৭ কোটি টকা, মিচিং স্বায়ত্ত শাসিত পৰিষদক ৩৫.০৪ কোটি টকা, টিৱা স্বায়ত্ব পৰিষদক ২৩.৯১ কোটি টকা, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদক ১৫.০৬ কোটি টকা, ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদক ১৫.০৪ কোটি টকা আৰু দেউৰী স্বায়ত্ত শাসিত পৰিষদক ১৫.৯১ কোটি টকা প্ৰদান কৰা হৈছে। জনসাধাৰণৰ প্ৰত্যাশা পূৰনাৰ্থে আদিবাসী, টাই-আহোম, নাথ-যোগী, বিষ্ণুপ্ৰিয়া মণিপুৰী, মৰিয়া, মইমাল, মৰাণ, মটক, চুতিয়া, কোচ-ৰাজবংশী, শৰণীয়া কছাৰী, গোৰ্খা আৰু আমৰি কাৰ্বি সম্প্ৰদায়ৰ বাবে ১৩ খন উন্নয়নী পৰিষদৰ সৃষ্টি কৰা হৈছে। অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে এক পৃথক সঞ্চালকালয় গঠনৰ বাবেও সিদ্ধান্ত লোৱা হৈছে।

চলিত বৰ্যত জনজাতীয় উপ পৰিকল্পনাৰ বাবে ৫৩.৫৩ কোটি টকা আৰু অনুসূচিত জাতি উপ পৰিকল্পনাৰ বাবে ১৪০.২৭ কোটি টকা উপলব্ধ কৰা হৈছে। অনুসূচিত জনজাতি (ভৈয়াম)ৰ লোক সকলৰ ছাত্ৰ-ছাত্ৰীলৈ জলপানি, মেধাবী ছাত্ৰ-ছাত্ৰীলৈ উদগণি আৰু দুখীয়া পৰিয়ালৰ আয় সৃষ্টিৰ বাবে বিত্তীয় অনুদানৰ লেখীয়া বহুতো আঁচনি হাতত লোৱা হৈছে। ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰৰ লেখীয়া কৃষি সঁজুলি সমূহো অনুসূচিত জনজাতিৰ (ভৈয়াম) কৃষক সকলক প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীলৈ প্ৰাক-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানি অসম বিকাশ যোজনা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ নিয়োগ সৃষ্টি আঁচনিৰ অধীনত

অনুসূচিত জাতিৰ ব্যক্তি সকললৈ সাহায্য প্ৰদান কৰি থকা হৈছে। প্ৰধান মন্ত্ৰীৰ আদৰ্শ গ্ৰাম যোজনাৰ অধীনত ১০০ খন অনুসূচিত জাতিৰ গাঁৱক আদৰ্শ গাঁও হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ আন্তঃগাঁথনি উন্নয়নৰ কাম হাতত লোৱা হৈছে। ঠিক তেনেদৰে ৰাজ্যিক পৰিকল্পনাৰ অধীনত কামৰূপ, বৰপেটা, ধুবুৰী, কোকৰাঝাৰ জিলাৰ ৪ খন গাঁৱক আদৰ্শ গাঁও হিচাপে গঢ়ি তুলিবলৈ ব্যৱস্থা লোৱা হৈছে। ভৈয়াম জনজাতি, অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ৰাজ্যিক নিগম সমূহে এই শ্ৰেণীৰ জনসাধাৰণৰ বাবে পৰিয়ালমুখী উপাৰ্জন বৃদ্ধি আঁচনি সমূহ ৰূপায়ণ কৰি আছে।

## চাহ জনজাতি কল্যাণ ঃ

মোৰ চৰকাৰে ৰাজ্যখনৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতি সম্প্ৰদায়ৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই উদ্দেশ্যে ২০০০-০১ বৰ্ষৰ ১.৮৮ কোটি টকা আৱন্টনৰ বিপৰীতে চলিত বৰ্ষত ৪৯.৯৫ কোটি টকা আৱন্টন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীলৈ প্ৰৱেশিকোত্তৰ জলপানি দি থকা হৈছে আৰু অভিযান্ত্ৰিক, ব্যৱস্থাপনা, চিকিৎসা বিজ্ঞান, গৱেষণা ইত্যাদিৰ লেখীয়া বিভিন্ন পাঠ্যক্ৰমত উচ্চ শিক্ষা গ্ৰহণৰ বাবে যোগ্য ছাত্ৰ-ছাত্ৰীলৈ অনুদান আগবঢ়োৱাৰ এক আঁচনি হাতত লোৱা হৈছে। স্ব-নিয়োজনৰ বাবে দক্ষতা বৃদ্ধি কৰিবলৈ বিভিন্ন জিলাত পি পি পি আৰ্হিৰ অধীনত ৫০ টা দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰই সেৱা আগবঢ়াই আছে। ৮০ জনীয়া যুৱক-যুৱতীৰ এটা দলক কৰ্মমুখী প্ৰশিক্ষণৰ বিভিন্ন পেৰা মেডিকেলৰ পাঠ্যক্ৰমত প্ৰশিক্ষণ লোৱাৰ বাবে পঠোৱা হৈছে। বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠান আৰু কৰপ'ৰেট বডিৰ সহযোগত প্ৰশিক্ষণৰ পিছত নিয়োজন নিশ্চিত কৰিবলৈ যুৱক-যুৱতী সকললৈ স্ব-নিয়োজনৰ বিভিন্ন বৃত্তিগত পাঠ্যক্ৰমত প্ৰশিক্ষণ লোৱাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। সমগ্ৰ ৰাজ্যৰ চাহ অধ্যুষিত অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়াল সমূহক সামৰি লবলৈ এখন বিশেষ খোৱা পানী যোগান, অনাময় আৰু স্বাস্থ্য সম্মত আঁচনিৰ প্ৰাৰম্ভন কৰা হৈছে। প্ৰশিক্ষণ আৰু ৰাষ্ট্ৰীয় তথা আঞ্চলিক যুৱ ক্ৰীড়া কাৰ্য্যসূচীত অংশ গ্ৰহণৰ জৰিয়তে যুৱক-যুৱতী সকলৰ ক্ৰীড়াৰ দিশত উৎকৰ্ষ সাধন কৰি থকা হৈছে।



## সংখ্যালঘূ কল্যাণ ঃ

সংখ্যালঘূৰ কল্যাণ সাধিবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। সংখ্যালঘূৰ কল্যাণৰ বাবে গ্ৰহণ কৰা সকলোবোৰ আঁচনিৰ ওপৰত চৰকাৰে নিৰন্তৰ পৰ্য্যবেক্ষণ কৰাৰ ওপৰিও সেইবোৰ সময়মতে ৰূপায়ণ হোৱাৰ ওপৰতো জোৰ দিছে। অসম সংখ্যালঘূ উন্নয়ন পৰিষদে সংখ্যালঘূ সকলৰ বিকাশৰ অৰ্থে বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। তাৰ বাবে ২০০০-০১ চনৰ সময় চোৱাৰ বাবে ধাৰ্য্য কৰা ৩০.০০ লাখ টকাৰ আবন্টনৰ বিপৰীতে চলিত বছৰত ৫২৬.৯০ লাখ টকাৰ আবন্টন কৰা হৈছে। অসম সংখ্যালঘূ উন্নয়ন আৰু বিত্তীয় নিগমেও ঋণ আগবঢ়োৱাৰ লগতে অন্যান্য উন্নয়নমূলক আঁচনিও ৰূপায়ণ কৰি আহিছে। ইয়াৰ বাবে ২০০০-০১ চনত আবন্টিত ১০.০০ লাখ টকাৰ বিপৰীতে চলিত বৰ্ষত ৩৪১.১০ লাখ টকা ধাৰ্য্য কৰা হৈছে। স্বনিয়োজনৰ বাবে বাসিন্দা সকলৰ প্ৰশিক্ষণ আৰু আৰ্থ-সামাজিক উন্নয়নৰ ওপৰত গুৰুত্ব দি চৰ অঞ্চল সমূহত চৰাঞ্চল সঞ্চালকালয়ৰ দ্বাৰা কৃষি পশুপালন আৰু দুগ্ধ পাম, কুটীৰ উদ্যোগ, শিক্ষা ইত্যাদিৰ সৈতে সংশ্লিষ্ট বিভিন্ন আঁচনিৰ কাম হাতত লোৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত পাৱাৰ টিলাৰ, পাৱাৰ পাম্প আৰু স্প্ৰে মেচিন বিতৰণৰ বাবেও এই আঁচনি হাতত লৈছে। মুখ্য মন্ত্ৰীৰ বিশেষ নিয়োগ সৃষ্টি আঁচনিৰ অধীনতো কেতবোৰ আঁচনি হাতত লোৱা হৈছে। এই আঁচনিবোৰৰ বাবে ২০০০-০১ চনৰ আবন্টিত ১০৩.০০ লাখ টকাৰ বিপৰীতে চলিত বৰ্ষত ৩৫৪৩.০০ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে।

অসমৰ ১৩ খন সংখ্যালঘূ অধ্যুষিত জিলাত "বহুখণ্ডীয় জিলা উন্নয়ন পৰিকল্পনা" নামৰ এখন আঁচনি কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে একাদশ পাঁচ বছৰীয়া পৰিকল্পনাত ৭০৩.৫০ কৌটি টকাৰ আবন্টন দিয়া হৈছে। গুৱাহাটীত এটা হজ ভৱন নিৰ্মাণৰ বাবে ২.০০ কৌটি টকা আৰু তাৰ বাবে মাটিৰ ব্যৱস্থাও কৰা হৈছে। অসম বৰ্ড অব্ ৱাক্‌ফে ৱাক্‌ফৰ অভিলেখাবোৰ কম্পিউটাৰভুক্ত কৰাৰ কাম আৰম্ভ কৰিছে। সংখ্যালঘূৰ অসম ৰাজ্যিক আয়োগেও ৰাজ্যখনত কাম কাজ কৰি আছে। অসম ভাষিক সংখ্যালঘূ উন্নয়ন পৰিষদখনেও কাম-কাজ চলাই আছে আৰু ভাষিক সংখ্যালঘূৰ নিৰ্দ্দিষ্ট অভাৱ-অভিযোগ সমূহ চোৱা-চিতা কৰি আছে।

পৰ্যটন ঃ

প্ৰাকৃতিক সৌন্দৰ্য্য, বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু বন্য প্ৰাণী, গভীৰ অৰণ্য, পুৰণি মঠ-মন্দিৰ, ঐতিহাসিক স্থান আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ বাবে অসম বিখ্যাত। ইয়াত পৰ্য্যটনৰ সম্ভাৱনীয়তা প্ৰচুৰ যিয়ে ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ উপৰিও স্ব-নিয়োজনৰ প্ৰচুৰ সুবিধাও দিয়ে। ধাৰাবাহিক প্ৰচেষ্টাৰ ফলস্বৰূপে পৰ্য্যটকৰ আগমন বুজন পৰিমাণে বৃদ্ধি পাইছে, ২০০০-০১ চনৰ ৯.৬২ লাখ দেশীয় পৰ্য্যটক আৰু ৬,৪৯০ গৰাকী বিদেশী পৰ্য্যটকৰ বিপৰীতে ২০০৯-১০ বৰ্ষত দেশীয় পৰ্য্যটকৰ সংখ্যা ৩৮.৯৬ লাখ আৰু বিদেশী পৰ্য্যটকৰ সংখ্যা ১৪,৬৯৯ গৰাকীলৈ বৃদ্ধি পাইছে। মানস-গুৱাহাটী কাজিৰঙা আৱৰ্ত্ত, ধুবুৰী-গোৱালপাৰা -গুৱাহাটী-শিলচৰ-কৰিমগঞ্জ আৱৰ্ত্ত, ওৰাং-তেজপুৰ-ভালুকপুঙ-বিশ্বনাথ চাৰিআলি-গহপুৰ আৱৰ্ত্ত, ধুবুৰী-মহামায়া-বৰপেটা-হাজো আৱৰ্ত্ত, ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান-মাজুম-মাৰ্ঘেৰিটা-ডিগবৈ আৱৰ্ত্ত আৰু বৌদ্ধ আৱৰ্ত্তৰ লেখীয়া আৱৰ্ত্ত সমূহৰ উন্নয়নৰ বাবে কেতবোৰ আঁচনি হাতত লোৱা হৈছে। ক্ষেত্ৰ উন্নয়নৰ আঁচনি সমূহৰ কামো হাতত লোৱা হৈছে যেনে - গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ উন্নয়ন, ব্ৰহ্মপুত্ৰৰ ওপৰৰ ক্ৰুইজ ভেজেল আৰু বঙাইগাঁৱৰ উত্তৰ শালমাৰাৰ কয়াকুঁজীয়া হ্ৰদৰ উন্নয়ন।

পৰ্যটনৰ কেতবোৰ বৃহৎ আঁচনিও ৰূপায়ণৰ বাবে হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত আছে ৰাজ্য চৰকাৰৰ সহযোগত হোটেল কোম্পানী লিমিটেডৰ দ্বাৰা গুৱাহাটীৰ খানাপাৰাত পঞ্চ তাৰকাযুক্ত বিলাসী হোটেল নিৰ্মাণ, শিৱসাগৰৰ তলাতল ঘৰত শব্দ আৰু পোহৰৰ প্ৰদৰ্শন, নগাঁৱত এটা নতুন পৰ্য্যটক নিবাস নিৰ্মাণ, যোৰহাটত এখন হোটেল পৰিচালনা আৰু প্ৰযুক্তি যোগান প্ৰতিষ্ঠান নিৰ্মাণ আৰু নগাঁৱৰ চামগুৰিত খাদ্য শিল্প প্ৰতিষ্ঠান স্থাপন। চলিত বছৰটোৰ বাবেও কেতবোৰ আঁচনি গ্ৰহণ কৰা হৈছে যেনে- কলিয়া ভোমোৰা দলঙৰ কাষৰ দ্বীপটোৰ ভূ-ভাগীয় উন্নয়ন, কামাখ্যাৰ উন্নয়ন আৰু হাজোৰ চেটেলাইট পিলগ্ৰীম টাউনশ্বিপৰ উন্নয়ন আৰু ভালুকপুঙৰ নৃগোষ্ঠীয় গাঁৱৰ উন্নয়ন। পৰ্য্যটনক বিকশাই তোলাৰ অৰ্থে অসম পৰ্য্যটনে কেবাখনো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটন উৎসৱত যোগদান কৰি আহিছে। অসম পৰ্যটনেও কেবাখনো উৎসৱৰ আয়োজন কৰি আহিছে যেনে - ৰঙালী উৎসৱ, হস্তিমেলা, দিহিং পাটকাই উৎসৱ আৰু চাহ পৰ্য্যটন উৎসৱ ইত্যাদি।



সংস্কৃতি ঃ

অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত গীত-মাত, নৃত্য আৰু নাটক প্ৰদৰ্শনৰ জৰিয়তে অসমৰ বিভিন্ন সংস্কৃতি বিকশাই তোলাৰ অৰ্থে মোৰ চৰকাৰে বিভিন্ন কাৰ্য্য ব্যৱস্থা হাতত লৈছে। সাংস্কৃতিক গৱেষণাৰ ভাৰতীয় পৰিষদ, উত্তৰ-পূৱ পৰিষদ, সংগীত নাটক একাডেমী, পূৰ্বোত্তৰ প্ৰান্তীয় সাংস্কৃতিক কেন্দ্ৰ, উত্তৰ-পূৱ মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰ আৰু নেচনেল স্কুল অব্ ড্ৰামাৰ সহযোগত চৰকাৰে কেবাখনো সাংস্কৃতিক অনুষ্ঠান পৰিবেশ কৰাৰ ব্যৱস্থা কৰি আহিছে। বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন লোকৰ প্ৰজ্ঞাৰ স্বীকৃতি স্বৰূপে তেওঁলোকক পুৰস্কৃত কৰাৰ অৰ্থে মোৰ চৰকাৰে কেতবোৰ বঁটাৰ সৃষ্টি কৰিছে। অসমৰ বিখ্যাত সমাজ সংস্কাৰক আৰু অন্যান্য ঐতিহাসিক ব্যক্তিসকলৰ বহল প্ৰচাৰৰ অৰ্থেও কেতবোৰ আঁচনি গ্ৰহণ কৰা হৈছে। এইবোৰৰ মাজত আছে - যোৰহাটত স্থাপন কৰা চুকাফা সমন্বয় ক্ষেত্ৰ, নাৰায়ণপুৰৰ মাধৱদেৱ ক্ষেত্ৰ, বৰদোৱাৰ সতী ৰাধিকা সাংস্কৃতিক প্ৰকল্প, গোলাঘাটৰ সতী সাধিনী সাংস্কৃতিক প্ৰকল্প, তিনচুকীয়াৰ অনিৰুদ্ধদেৱ সাংস্কৃতিক প্ৰকল্প, চাপৰৰ শৰৎ চন্দ্ৰ সিংহ স্মাৰক সাংস্কৃতিক প্ৰকল্প আৰু শিৱসাগৰৰ আজানপীৰ দৰগাহৰ উন্নীতকৰণ।

মাজুলীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে মাজুলী উন্নয়ন প্ৰকল্প হাতত লোৱা হৈছে। সোণাপুৰত এটা জনজাতি সংগ্ৰহালয় আৰু সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে প্ৰস্তাৱ কৰা হৈছে। অসম বিকাশ যোজনাৰ অধীনত ৫০টা বে-চৰকাৰী সাংস্কৃতিক সংগঠনৰ প্ৰত্যেকলৈ ৩০,০০০.০০ টকাকৈ সাহায্য মঞ্জুৰি প্ৰদান কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। শিল্পীসকলৰ কল্যাণৰ বাবে ১০০.০০ লাখ টকাৰ এক কৰপাছ পুঁজিৰ উপলদ্ধ কৰা হৈছে। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ আন্তঃগাথনি উন্নয়নৰ বাবে পদক্ষেপ লোৱা হৈছে আৰু আমাৰ সাংস্কৃতিক তথা ঐতিহাসিক সমল সমূহৰ উপযুক্ত সংৰক্ষণ, নথিকৰণ আৰু অধ্যয়নত সহায়ক হোৱাকৈ বৰ্ত্তমানে থকা জিলা সংগ্ৰহালয় সমূহক শক্তিশালী কৰাৰ বাবেও পদক্ষেপ লোৱা হৈছে। গুৱাহাটীত এটা ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁড়াল স্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে। সকলোবোৰ জিলা আৰু মহকুমা পুথিভঁড়ালত ইণ্টাৰনেটৰ সা-সুবিধা প্ৰবৰ্তন কৰা হৈছে। ২০০৯-১০ বৰ্ষত ৫.০০ কোটি টকা ব্যয়েৰে ৩ খন সত্ৰ আৰু ৩টা ঐতিহাসিক কীৰ্তিচিহ্নৰ সুৰক্ষা, সংৰক্ষণ

আৰু উন্নয়ণৰ কাম হাতত লোৱা হৈছে। চলিত বৰ্ষত ৫.০০ কোটি টকা ব্যয়েৰে ৮টা ঐতিহাসিক কীৰ্তিচিহ্নৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ কাম হাতত লোৱা হৈছে আৰু ২০১১-১২ বৰ্ষত অতিৰিক্ত কেন্দ্ৰীয় সাহায্যৰ অধীনৰ পুঁজিৰে ৯টা ঐতিহাসিক কীৰ্তিচিহ্ন তথা ৮৫খন সত্ৰৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

## নগৰ উন্নয়ন ঃ

অসমৰ নগৰ অঞ্চল সমূহ দ্ৰুত নগৰীকৰণৰ বাবে কিছুসংখ্যক আঁচনি হাতত লোৱা হৈছে। নগৰৰ আন্তঃগাথনি শক্তিশালী কৰাৰ বাবে ক্ষুদ্ৰ আৰু মজলীয়া নগৰ সমূহত নগৰীয়া আন্তঃগাথনি উন্নয়ন আঁচনিখন বৰ্ত্তমানে ৰূপায়ণ কৰি থকা হৈছে। সংহত গৃহ আৰু বস্তি উন্নয়ন আঁচনিৰ অধীনত বস্তি অঞ্চল উন্নয়নৰ কাম চলি আছে। কেন্দ্ৰীয় অপৰিশোধেয় পুঁজি শিতান আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ বাবে উপলব্ধ ১০ শতাংশ কেন্দ্ৰীয় পুঁজিৰ অধীনত নগৰ উন্নয়ন আঁচনি সমূহ ৰূপায়িত হৈ আছে । বিগত পাঁচটা বছৰত ৫৫৬.৫৭ কোটি টকা ব্যয়ত বহুমুখী ব্যৱহাৰ যোগ্য ভৱন, পথ, ট্ৰাক আস্থান, বাণিজ্যিক কেন্দ্ৰ, ব্যৱসায়িক চৌহদ, বৃহৎ পানী নলা-নৰ্দমাৰ লেখীয়া ৯০ খন আঁচনিত মঞ্জুৰি দিয়া হৈছে । ধুবুৰী, বদৰপুৰ, নলবাৰী, পলাশবাৰী, কামপুৰ, থিং, সৰ্থেবাৰী, লংকা, কৰিমগঞ্জ, মঙ্গলদৈ, তিনিচুকীয়া, গোলাঘাট, নগাঁও, টিহু, বোকাজান আৰু কোকৰাঝাৰ চহৰত বসবাস কৰি থকা দুখীয়া লোকক উপকৃত কৰাৰ বাবে আই এইচ এচ ডি পিৰ অধীনত ৮,৬৬৮ টা গৃহ আৰু সংহত বস্তি উন্নয়ন আঁচনিৰ ৫০ শতাংশ লক্ষ্য চলিত বৰ্ষতে সম্পূৰ্ণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। চলিত বৰ্ষত এন এল চি পি আৰৰ অধীনত ১.৮৬ কোটি টকা ব্যয়েৰে বৰপেটা চহৰত এটা বাছ আস্থান আৰু ৯.৪৬ কোটি টকা ব্যয়েৰে যোৰহাট চহৰত এটা বহুমহলীয়া কাৰ পাকিং তথা মহানগৰ ভৱন নিৰ্মাণৰ মঞ্জুৰি প্ৰদান কৰা হৈছে।

স্ব-নিয়োজন ব্যৱস্থা স্থাপনৰ জৰিয়তে নগৰীয়া নিবনুৱা সকললৈ লাভজনক নিয়োজনৰ সুবিধা প্ৰদান কৰিবলৈ স্বৰ্ণ-জয়ন্তী চহৰী ৰোজগাৰ যোজনা ৰূপায়ণ কৰি থকা হৈছে। সামাজিক আৰু আৰ্থিক উপযোগী ৰাজহুৱা সম্পদ নিৰ্মাণত কৰ্মশক্তি ব্যৱহাৰৰ দ্বাৰা চহৰ অঞ্চলত বসবাস কৰি থকা দাৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকলৈ আঁচনিখনে দিন মজুৰি নিয়োজন প্ৰদান কৰিছে। এই আঁচনিখনৰ অধীনত ২০০৬-০৭ চনৰ পৰা ৬০৯ গৰাকী ব্যক্তিয়ে ক্ষুদ্ৰ ব্যৱসায়িক প্ৰতিষ্ঠান স্থাপন কৰিছে, ৮৪৩



গৰাকী ব্যক্তিৰ দক্ষতা উন্নীত কৰা হৈছে আৰু ৭.৩২ লাখ কৰ্মদিনৰ সৃষ্টি কৰা হৈছে। নগৰীয়া নিম্ন ব্যয় অনাময় আঁচনিৰ অধীনত নগৰৰ দুখীয়া অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকলৈ নিম্ন ব্যয়ৰ চেনিটাৰী শৌচাগাৰ প্ৰদান কৰি থকা হৈছে। অসম বিকাশ যোজনাৰ অধীনত স্থানীয় নিকায় সমূহলৈ আৱৰ্জনা নিষ্কাষণৰ বাবে ট্ৰেক্টৰ আৰু ট্ৰেইলাৰৰ যোগান ধৰি থকা হৈছে। অসম ৰাজ্যিক গৃহ পৰিষদে ৰাজ্যখনত বহুতো গৃহ আঁচনি ৰূপায়ন কৰি আছে। এইবোৰৰ ভিতৰত ই ডব্লিউ এচ ৰ বাবে জনতা গৃহ আঁচনি, চৰকাৰী চাকৰিয়ালৰ বাবে ভাড়াগৃহ আঁচনি আৰু অসংগঠিত কৰ্মীৰ বাবে গৃহ। নগৰৰ জনসাধাৰণক নিৰাপদ খোৱাপানী যোগান ধৰিবলৈ অসম নগৰীয়া পানী আৰু পয়-প্ৰণালী পৰিষদে বহুতো আঁচনি হাতত লৈছে। চলিত বৰ্ষত হাউলী, মাকুম, চাবুৱা, ধুবুৰী, গোসাইগাওঁ, যোৰহাট (পৰ্য্যায় - II), হোজাই, অভয়াপুৰীত খোৱা পানী যোগান আঁচনি সমূহৰ সেৱাৰ প্ৰাৰম্ভন কৰাৰ লগতে চিৰিয়াখানা পথ পানীযোগান আঁচনিখনৰ ক্ষমতা বৃদ্ধি কৰা হব।

## গুৱাহাটী উন্নয়ন ঃ

গুৱাহাটী মহানগৰত নগৰীয়া আন্তঃগাথনি সৃষ্টিৰ ওপৰত মোৰ চৰকাৰে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আহিছে। গুৱাহাটী মহানগৰৰ পুৰনি ঘাটি পানী যোগান সমস্যাটো নিৰাময়ৰ বাবে চৰকাৰখনে পদক্ষেপ লৈছে। গুৱাহাটীৰ পশ্চিম অঞ্চলৰ নাগৰিকৰ চাহিদা পূৰাবলৈ প্ৰতিদিনে ১০৭ মিলিয়ন লিটাৰ পানী যোগান দিব পৰা পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্পটো হাতত লোৱা হৈছে। বৰ্ত্তমানে এই অঞ্চলত কোনো পানী যোগানৰ ব্যৱস্থা কৰা হোৱা নাছিল আৰু ২০১১ চনৰ ভিতৰত এই প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। জাপান আন্তৰাষ্ট্ৰীয় সহযোগিতা সংস্থাৰ দ্বাৰা প্ৰদান কৰা পুঁজিৰে ১৪০০.০০ কোটি প্ৰাক কলন ব্যয়ত কেন্দ্ৰীয় আৰু উত্তৰ গুৱাহাটীৰ বাবে দুখন পানী যোগান আঁচনি ৰূপায়িত হোৱাৰ পৰ্য্যায়ত আছে। গুৱাহাটীৰ বাসিন্দাসকলৰ বিনোদনৰ বাবে শ্ৰদ্ধাঞ্জলি কানন নামেৰে এখন বৃহৎ বিনোদন উদ্যান জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। ইয়াৰ উপৰিও কাৰ পাৰ্কিংৰ সমস্যাতো মোকাবিলা কৰিবলৈ ফাচীবজাৰত এটা বহুমহলীয়া কাৰ পাৰ্কিং নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। গুৱাহাটীৰ দক্ষিণ অঞ্চলৰ নাগৰিক সকলৰ সুবিধাৰ্থে ৰুক্মিনী নগৰত এটা প্ৰেক্ষাগৃহ তথা সামূহিক গৃহ নিৰ্মাণৰ কাম কৰি থকা হৈছে। নগৰীয়া গৰীব সকললৈ বুনিয়াদী সেৱা পৰ্যায়-১ প্ৰকল্পৰ অধীনত গুৱাহাটীৰ ফটাশিল আমবাৰীত

নিৰ্মাণ কৰা ৩৫২ টা গৃহ হিতাধীকাৰী সকললৈ হস্তান্তৰ কৰিবলৈ সাজু কৰা হৈছে।

## পৰিবহণ ঃ

অসম ৰাজ্যিক পৰিবহন নিগমে ইয়াৰ নিজাববীয়া ৪৫০ খন বাছ আৰু ১২০০ খন নিগমৰ বেনাৰত চলা ব্যক্তিগত বাছ সেৱাৰে সমগ্ৰ ৰাজ্যখনতে এক নিৰ্ভৰযোগ্য পৰিবহন সেৱা আগবঢ়াই আছে যাৰ জৰিয়তে মাহিলী প্ৰায় ৩.০০ কোটি টকা উপাৰ্জন কৰি আছে। ইয়াৰ বিপৰীতে ২০০১ চনত মাত্ৰ ৭০ খন নিগমৰ নিজাববীয়া বাছৰ সেৱাৰ জৰিয়তে মাহিলী সৰ্বমুঠ ৭০.০০ লাখ টকা অৰ্জন কৰিছিল। অসম ৰাজ্যিক পৰিবহন নিগমে বাণিজ্যিক ভিত্তিত ডিজেলৰ গ্ৰাহক পাম্প স্থাপন, বেংকৰ এ.টি. এম. কাউণ্টাৰ স্থাপন, যোৰহাট আৰু নগাওঁত এন. আৰ. এল. ৰ শক্তি কেন্দ্ৰ স্থাপন আৰু সমগ্ৰ অসমৰে অসম ৰাজ্যিক পৰিবহণ নিগমৰ গুৰুত্বপূৰ্ণ আস্থান সমূহত বাণিজ্যিক প্ৰকল্প স্থাপনৰ দ্বাৰা ভিন্নমুখী কৌশল ৰূপায়ণ কৰিছে। গুৱাহাটীৰ পল্টন বজাৰত যাত্ৰী নিবাস নিৰ্মাণৰ কাম আৰু শিৱসাগৰ তথা ডিব্ৰুগড়ত আধুনিক বাছ টাৰ্মিনাছ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। যোৰহাটত নিৰ্মাণ কৰি থকা আন্তঃ ৰাজ্যিক বাছ টাৰ্মিনাছৰ কাম সম্পূৰ্ণ হোৱাৰ পথত আগবাঢ়িছে। পল্টন বজাৰৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ প্ৰকল্পত বহুমুখী পৰ্য্যায়ৰ কাৰ পাৰ্কিঙৰ নিৰ্মাণ কাৰ্য্য ইতিমধ্যে আৰম্ভ হৈছে । গ্ৰাম্য সংযোগ আঁচনিৰ অধীনত ১০০ খন নতুন বাছৰ বাবে ২০.০০ কোটি টকাত অনুমোদন জনোৱা হৈছে। জে. এন. এন. ইউ. আৰ. এম. ৰ কেন্দ্ৰীয় আঁচনিৰ অধীনত গুৱাহাটী মহানগৰত চলাবৰ বাবে ৭০ খন বাছ মুকলি কৰি দিয়া হৈছে আৰু ইয়াৰ লগত আন ১০০ খন বাছ যোগ দিয়া হ'ব।

অসমৰ জনসাধাৰণক পথ নিৰাপত্তা আৰু নিৰাপদ গাড়ী চালনৰ সুবিধা প্ৰদান কৰাৰ অৰ্থে পৰিবহণ আয়ুক্তই ব্যৱস্থা গ্ৰহণ কৰিছে। গ্ৰাহকৰ সহায়ক হোৱা আৰু ক্ষীপ্ৰ লাইচেন্স প্ৰদান তথা পঞ্জীয়ণৰ সুবিধা আগবঢ়োৱাৰ অৰ্থে কম্পিউটাৰকৰণ কৰা হৈছে। আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ ওপৰত ৯৮ টা ফেৰী সেৱা চলাই আছে। গুৱাহাটীত ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত এখন ওপঙা ৰেষ্টুৰেণ্ট স্থাপনৰ দ্বাৰা নদী পৰ্যটনক উদগণি যোগোৱা হৈছে। ১২ খন ষ্টীল হাল ছেল' ড্ৰাফ্‌ট নাও ব্যৱহাৰৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত পানী টেক্সিৰ এটা পাইলত প্ৰকল্প প্ৰৱৰ্ত্তন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ ওপৰত নতুনকৈ স্থাপন কৰা



২৮টা ফেৰী সেৱাত আন্তগাথ নিগত উন্নয়ণৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

## বিজ্ঞান আৰু প্ৰযুক্তি ঃ

অসমত বিজ্ঞান আৰু প্ৰযুক্তিক উদ্‌গণি যোগোৱাৰ অৰ্থে তথা এটা বৈজ্ঞানিক মনোবৃত্তি গঢ়ি তোলাৰ অৰ্থে যোৱা পাঁচটা বছৰত মোৰ চৰকাৰে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী তাৰকাগৃহটো ৬০০.১৪ লাখ টকাৰ ব্যয়ত উন্নীত কৰণ কৰা হৈছে আৰু যোৰহাট, কোকৰাঝাৰ, নলবাৰী আৰু উত্তৰ লক্ষীমপুৰত চাৰিটা নতুন তাৰকাগৃহ স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰখনত গৱেষণা আৰু উন্নয়ণ সাধনৰ বাবে এখন জৈৱ প্ৰযুক্তিৰ উদ্যান স্থাপন কৰিবলৈ লোৱা হৈছে। ৰাজ্যখনৰ ২১৯ টা উন্নয়ণ খণ্ডত আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হৈছে। আই. এচ. আৰ. অ'ৰ সহযোগত চৈধ্যটা স্বয়ংক্ৰিয় বতৰ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু এই বছৰত আন ৫ টা কেন্দ্ৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰি তোলাৰ অৰ্থে ছাত্ৰ-ছাত্ৰী, তেওঁলোকৰ শিক্ষাগুৰু আৰু অভিভাৱক সকলক লৈ ৰেলেৰে কলিকতালৈ এক বিজ্ঞান যাত্ৰা উলিওঁৱা হৈছিল।

## তথ্য প্ৰযুক্তি ঃ

প্ৰতিটো ব্লকৰ মুখ্য কাৰ্য্যালয় আৰু মহকুমা মুখ্য কাৰ্য্যালয়ক জিলাৰ মুখ্য কাৰ্য্যালয় তথা অৱশেষত গুৱাহাটীত থকা ৰাজ্যিক মুখ্য কাৰ্য্যালয়লৈ সংযোগ কৰি অসম ৰাজ্যিক ৱাইড্ এৰিয়া নেটৱৰ্ক (এ. এচ. ডব্লিউ. এ. এন.) স্থাপন কৰিবলৈ প্ৰস্তাৱ হাতত লোৱা হৈছে। কায়িকভাৱে সংযোজিত ৩০৪ পি. অ. পি. ৰ ভিতৰত ২১৫ পইণ্ট অব্ প্ৰেজেন্স (পি. অ. পি.) ৰে এই নেটৱৰ্ক সম্পূৰ্ণকৰণ বৰ্ত্তমান অগ্ৰগতিজনক অৱস্থাত আছে। এই নেটৱৰ্কটো এই বছৰ সম্পূৰ্ণ কাৰ্য্যক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে। সাধাৰণ সেৱা কেন্দ্ৰ (চি. এচ. চি.) স্থাপন কৰাৰ অৰ্থে এখন আঁচনি হাতত লোৱা হৈছে। ইয়াৰ পৰা জনসাধাৰণক সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত আই. চি টি. সমৰ্থিত সেৱা আগবঢ়োৱা হ'ব। এতিয়ালৈকে, ৰাজ্যখনৰ গ্ৰাম্যঞ্চল আৰু দুৰণিবতীয়া এলেকাসমূহত ৩৭৬০ টা চি. এচ. চি. স্থাপন কৰা হৈছে। কেবাখনো জিলাত কায়িক পদ্ধতিৰে জনসাধাৰণক ১৫ টা জাননীকৃত জি ২ চি সেৱা আগবঢ়োৱাৰ কাম আৰম্ভ কৰিছে। গোৱালপাৰা আৰু শোণিতপুৰ জিলাই ইলেকট্ৰনিক সেৱা হিচাপে এই সেৱা আগবঢ়াবলৈ আৰম্ভ কৰিছে। আসাম্ অণ্‌লাইণ্ পৰ্টেল প্ৰকল্প আৰু সচিবালয় লেচ্

পেপাৰ অফিচ্ প্ৰকল্পৰ পৰীক্ষা পদ্ধতি সোনকালে আৰম্ভ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। বৰ্ত্তমান ১৬১০ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, হাইস্কুল আৰু হাই মাদ্ৰাছাত আৰু ৬৪১ খন চৰকাৰী হাইস্কুলত ৰাজীৱ গান্ধী কম্পিউটাৰ স্বাক্ষৰতা আঁচনি খন (আৰ. জি চি. এল. পি.) ৰূপায়ণ কৰি থকা হৈছে।

## তথ্য আৰু জন সংযোগ ঃ

আকাশবাণীৰ বাতৰি আৰু অন্যান্য কাৰ্য্যসূচী প্ৰচাৰ কৰি অহা স্থিৰ অণুভাষ যন্ত্ৰ পদ্ধতি গ্ৰাম্যঞ্চলৰ লোক সকলৰ বাবে বৰ্ত্তমান অতি জনপ্ৰিয় হৈ পৰিছে। ইয়াক বৰ্ত্তমান জিলাৰ সদৰ আৰু চহৰ অঞ্চললৈ সম্প্ৰসাৰণ কৰা হৈছে। ১.০০ কোটি টকাৰ মূল পুঁজিৰে সৈতে ''সাংবাদিক চিকিৎসা কল্যাণ আঁচনি'' খন বৰ্ত্তমান ৰূপায়ণ কৰি থকা হৈছে। হোৰ্ডিং, পুস্তিকা সাংস্কৃতিক কাৰ্য্যসূচী আৰু প্ৰিণ্ট তথা ইলেকট্ৰনিক মাধ্যমেৰ জৰিয়তে চৰকাৰী আঁচনি আৰু গণমুখী আঁচনি সমূহক আলোকপাত কৰি এক প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ কাম হাতত লোৱা হৈছে। এই প্ৰচাৰ অভিযানে জনসাধাৰণক সন্ত্ৰাসবাদ তথা বিদ্ৰোহাত্মক কাৰ্য্যকলাপৰ বিৰপদ্ধে সজাগ কৰি তুলিব আৰু ই ৰাষ্ট্ৰীয় সংহতি আৰু সাম্প্ৰদায়ীক সম্প্ৰীতিৰ ভাৱ জগাই তুলিব।

## পাৰ্বত্য এলেকা ঃ

পাৰ্বত্য এলেকাৰ সৰ্বাংগীন উন্নয়ণৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু মোৰ চৰকাৰে কাৰ্বি আংলঙ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ দুখনৰ ত্ৰিশটা বিভাগলৈ স্বায়ত্ত শাসনৰ ক্ষমতা হস্তান্তৰ কৰিছে। স্বায়ত্তশাসিত পৰিষদ দুখনে পৰিকল্পনাৰ অধীনত বিভিন্ন আঁচনিসমূহৰ পৰিকল্পনা আৰু ৰূপায়ণৰ কাম হাতত লৈছে, চলিত বৰ্ষত, ৰাজ্যিক পৰিকল্পনাৰ অধীনত বিভিন্ন আঁচনিৰ ৰূপায়ণৰ বাবে ৪৪৯.৯৭ কোটি টকা, পাৰ্বত্য এলেকা উন্নয়ণ পৰিকল্পনাৰ অধীনত কাৰ্বি আংলঙ স্বায়ত্তশাসিত পৰিষদৰ বাবে ২৯৪.১৮ কোটি টকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ বাবে ১৫৫.৭৯ কোটি টকা প্ৰদান কৰা হৈছে। ২০১০-১১ বৰ্ষত পাৰ্বত্য এলেকাৰ লোকৰ মনোযোগ ঝুম খেতিৰ পৰা আতৰাই বিকল্প কৃষি তথা অৰ্থনৈতিক কাম-কাজত মনোনিবেশ কৰোৱাৰ অৰ্থে ঝুম খেতি কৰা এলেকাত সংহত ঝুমীয়া উন্নয়ণ আঁচনিৰ বাবে ৪.০০ কোটি টকা আৰু জলচ্ছেদ উন্নয়ণ প্ৰকল্পৰ বাবে ৭.৫০ কোটি আবণ্টন দিয়া হৈছে।



## বিদ্যুৎ ঃ

অসম ৰাজ্যিক বিদ্যুৎপৰিষদক পুণৰগঠন কৰি আৰু ইয়াক তিনিটা নতুন কোম্পানীত বিভক্ত কৰি যেনে - বিদ্যুৎ উৎপাদনৰ বাবে অসম বিদ্যুৎ উৎপাদন কোম্পানী, প্ৰৱহনৰ বাবে অসম বৈদ্যুতিক গ্ৰীড্ নিগম লিমিটেড আৰু বিতৰণৰ বাবে অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড্ নামৰ তিনিটা নতুন কোম্পানীৰ সৃষ্টিৰে বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ কাম হাতত লোৱা হৈছে। বিগত পাঁচ বছৰত সংস্কাৰ প্ৰক্ৰিয়াৰ আশানুৰূপ ফল লাভ কৰা হৈছে। উৎপাদন আস্থানবোৰৰ প্ৰকল্প বোজা উপকৰণৰ পৰিমাণ ৩৬.৩২ শতাংশৰ পৰা বাঢ়ি ৫৮.৪৫ শতাংশ হৈছেগৈ। ২০০৭ চনত ১০০ মেগাৱাটৰ কাৰ্বি লাংপি জলবিদ্যুৎ পাৱাৰ প্ৰকল্পৰ সেৱা আৰম্ভ হোৱাৰ পাচত বিদ্যুতৰ উৎপাদন ২০০১ চনৰ ৮৬৭ মেগা ইউনিটৰ পৰা বাঢ়ি বৰ্ত্তমানে ১৭১৪ মেগা ইউনিটলৈ বৃদ্ধি পাইছে। ৩৭.২ মেগাৱাটৰ লাকুৱা ৱেষ্টহিট্ ৰিকোভাৰী প্লান্টৰ সেৱা অলপতে আৰম্ভ হোৱাৰ পাছত এই স্থিতি আৰু বাঢ়িব। ১০০ মেগাৱাট নামৰূপ ৰিপ্লেচমেন্ট প্ৰজেক্ট নিৰ্মাণৰ কামো আৰম্ভ কৰা হৈছে আৰু ইয়াৰ ফলত বিদ্যুতৰ উপলব্ধতা আৰু বাঢ়িব।

ভালেসংখ্যক আঁচনি ৰূপায়ণ কৰিবলৈ লোৱাৰ ফলত অসম গ্ৰীডৰ প্ৰেৰণ আৰু ৰূপান্তৰকৰণ সামৰ্থ ২০০৫ চনৰ ৭০০ মেগাৱাটৰ পৰা ২০১০ চনত ১০০০ মেগাৱটৰ ওপৰলৈ বৃদ্ধি পাইছে। এইবোৰ আঁচনি ৭৪৩ চাৰ্কিট কে এম অব্ হাইভল্টেজ লাইন, ৰূপান্টৰকৰণ সামৰ্থ ২২০ কে ভি লেভেললৈ অনা, ৬০০ এম ভি এ ১১৬০ এম ভি এ লৈ বৃদ্ধি কৰা আৰু ৯১৯ এম ভি এক ১৭৭৫ এম ভি এলৈ বঢ়াই ১৩২ কে ভি লেভেলৰ ৰূপান্তৰকৰণ সামৰ্থ বৃদ্ধি কৰা আদিৰ সৈতে সম্পৰ্কিত। ২০১২ চনৰ ভিতৰত অসম গ্ৰীডৰ প্ৰেৰণ আৰু ৰূপান্তৰকৰণ সামৰ্থ ১৪৪৩ মেগাৱাটলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। এই নিৰ্মাণ কাৰ্য্যৰ বাবে ৩ টা ২২০/১৩২ কে ভি উপ আস্থান, ৫ টা ১৩২/৩৩ কেভি, উপ আষ্টান, ৩৬৫ কিলোমিটাৰ ২২০ কে ভি লাইন, ৯৮ কি মি ১৩২ কে ভি লাইন আৰু এটা গেচ ইনচুলেটেড্ ২২০/৩৩ কে ভি, ২/৫০ এম ভি এ উপ আস্থান নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

বিদ্যুৎ বিতৰণ পদ্ধতিৰ শক্তিশালীকৰণে এটি এণ্ড চিৰ লোকচানৰ পৰিমান বিগত পাঁচ বছৰত ৪২% ৰ পৰা ২৭% শতাংশলৈ কমাইছে। ৯২ টা নতুন ৩৩/ ১১ কে ভি উপ আস্থান, ১৮৮ টা পুৰণি উপ আস্থানৰ শক্তি বৃদ্ধি/নবীকৰণ আৰু ৬,৩৭৪ টা বিতৰক ট্ৰেন্সফৰমাৰ বহুৱাই কামত লগোৱাৰ বাবে এই শক্তিশালীকৰণ সম্ভৱ হৈছে। বিতৰণ পদ্ধতিটোক শক্তিশালীকৰণৰ অৰ্থে ৩ টা ৩৩/১১ কে ভি উপ-আস্থান, ১৪৫.২৫ কিলোমিটাৰ ৩৩ কে ভি লাইন নিৰ্মাণ, ১৫৪.০০ কিলোমিটাৰ ১১ কে ভি লাইন আৰু ৫০ টা বিতৰক ট্ৰেন্সফৰমাৰ স্থাপনৰ লেখিয়া আৰু অধিক আঁচনি হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ বিদ্যুৎ যোগান আশ্বাস সেৱা আঁচনিৰ অধীনত নষ্ট হোৱা ট্ৰেন্সফৰমাৰ বিলাক বদলি কৰা হৈছে। চুৰি কাৰ্য্য হ্ৰাস আৰু ৰাজহ বৃদ্ধিৰ কাৰণে ইনপুত বেজ্‌ড ডিষ্ট্ৰিবিউচন ফ্ৰেন্‌চাইজী স্কীমৰ অধীনত ফ্ৰেন্‌চাইজী সকলৰ হাতত বছা বছা ১১ কে ভি ফীডাৰ্চ অৰ্পণ কৰা হৈছে। ৰাজীৱ গান্ধী গ্ৰামীণ বৈদ্যুতিকৰণ আঁচনিৰ অধীনত ২০১১ চনৰ জানুৱাৰী মাহলৈ প্ৰায় ৫.০৬ লাখ দাৰিদ্ৰ সীমাৰ তলৰ পৰিয়ালক বিনামূলীয়া বিদ্যুৎ সংযোগ দিয়া হৈছে।

## খনি আৰু খনিজ সম্পদ ঃ

মোৰ চৰকাৰে খনিজ আৰু ভূমিজল সম্পদ উদ্ঘাটনৰ বাবে কেইবাটাও কাম হাতত লৈছে। বিভিন্ন ৰাজহুৱা খণ্ড আৰু বে-চৰকাৰী সংগঠনক খনিজ সম্পদ আৰু পেট্ৰোলিয়াম উদ্ঘাটনৰ বাবে অনুজ্ঞাপত্ৰ আৰু খনন পট্টা দিছে। চৰকাৰে অনুজ্ঞাপত্ৰধাৰী আৰু লেছি সকলৰ পৰা ৰয়েলিটি, ভাড়া, মাচুল আদিৰ আকাৰত অনা কৰ ৰাজহ আদায় কৰে। বৰ্ত্তমানে হাতত লোৱা বৃহৎ আঁচনিবোৰ হ'ল - কাৰ্বি আংলং, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত জমা কয়লা খনন, মৰিগাঁও আৰু কামৰূপ জিলাত গ্ৰেণাইটৰ অনুসন্ধান, কাৰ্বি আংলঙ জিলাত কোৱাৰ্জ ফেল্পাৰৰ অনুসন্ধান আৰু ৰাজ্যজুৰি ভূমি জল সম্পদৰ জল ভূতাত্ত্বিক অনুসন্ধান। এতিয়ালৈকে চলোৱা ভূতাত্ত্বিক উদ্ঘাটনৰ ফলত কামত অহা বৃহৎ পৰিমাণৰ চিমেণ্ট প্ৰস্তুতকৰণত ব্যৱহাৰ কৰিব পৰা চূণশিল, বৃহৎ পৰিমাণৰ কয়লা, চীনামাটি, গ্ৰেনাইট, গ্লাচচেণ্ড, চিলিমিনাইট আৰু লোৰ আকৰ জমা থকাটো ধৰা পৰিছে। চলিত বছৰটোত ৰাজ্যখনত



পেট্ৰোলিয়ামৰ উদ্ঘাটন আৰু বিকাশ বৃদ্ধিৰ অৰ্থে নতুন উদ্‌ঘাটন অনুজ্ঞা প্ৰদান নীতিৰ অধীনত ৪৪৭.০০ বৰ্গ কিলোমিটাৰৰ দুটা উদ্‌ঘাটন খণ্ড যুটীয়াভাবে ৰাজহুৱা আৰু বে-চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেড, অ এন জি চি আৰু অসম কোম্পানী লিমিটেডক গতাই দিয়া হৈছে। অসম খনিজ উন্নয়ন নিগমে ৰাষ্ট্ৰীয় স্তৰত খ্যাতি থকা দুটা কোম্পানীৰ সহযোগত ৰাজহুৱা তথা ব্যক্তিগত অংশদাৰিত্ব সূত্ৰৰ আধাৰত দুটা বৃহৎ চিমেন্ট প্ৰকল্প স্থাপন কৰিব।

## শ্ৰম আৰু নিয়োগ ঃ

যুৱক-যুৱতী সকল যাতে নিযুক্তিৰ বাবে যোত্ৰবান হয় তাৰ বাবে তেওঁলোকৰ পাৰদৰ্শিতা বৃদ্ধিৰ ওপৰত মোৰ চৰকাৰে অগ্ৰাধিকাৰ দিছে। ২৮ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে বৃত্তিগত প্ৰশিক্ষণ দি থকা হৈছে আৰু ইয়াৰে ২৩ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান উৎকৰ্ষতাৰ কেন্দ্ৰ আঁচনি আৰু ৰাজহুৱা তথা ব্যক্তিগত অংশীদাৰি আঁচনি নামৰ দুখন আঁচনিৰ অধীনত সম্পূৰ্ণভাবে উন্নীত কৰা হৈছে। অসমৰ কাজল গাঁও, শুক্লাই, বকো, ঘিলামৰা, কৰিমগঞ্জ, লিডু আৰু তিতাবৰত একোখনকৈ মুঠ সাতখন নতুন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। মকৰলযোগ্য মাপাংকৰ হ্ৰস্বকালীন পাৰদৰ্শিতাৰ প্ৰশিক্ষণ দিয়াৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত বৃত্তিগত প্ৰশিক্ষণ দান কৰা লোক সকলক বিত্তীয় সাহাৰ্য্য যোগান ধৰাৰ বাবে এখন স্কীল ডেভেল'পমেণ্ট ইনিচিয়েটিভ চছাইটি পঞ্জীভুক্ত কৰা হৈছে। শ্ৰমিকৰ অধিকাৰ ৰক্ষা আৰু কল্যাণমূলক সা-সুবিধাবোৰৰ উপলব্ধতাৰ বাবে কেবাখনো শ্ৰমিক কল্যাণ বিধি বলবৎ কৰা হৈছে। ইয়াৰ উপৰিও অ-সংগঠিত খণ্ডৰ শ্ৰমিক সকলৰ বাবে বিভিন্ন কল্যাণমুলক আঁচনি হাতত লোৱাৰ উদ্যেশ্যে 'অসম অ-সংগঠিত শ্ৰমিকৰ সামাজিক নিৰাপত্তা নিয়মাৱলী ২০১০' খন প্ৰস্তুত কৰা হৈছে।

## জলসম্পদ ঃ

ৰাষ্ট্ৰীয় বান আয়োগৰ দ্বাৰা অসমৰ ৩১.৫০ লাখ হেক্টৰ বানপানী প্ৰৱণ ভূমি চিনাক্তকৰণৰ বিপৰীতে এতিয়ালৈকে ১৬.৫০ হেক্টৰ ভূমিক যথাযথ সুৰক্ষা প্ৰদান

কৰা হৈছে। বাকী থকা অঞ্চলৰ সমস্যা সমূহ নিৰাময়ৰ বাবে কিছু সংখ্যক আঁচনি হাতত লোৱা হৈছে। বান পানী ব্যৱস্থাপনা কাৰ্য্যসূচী, আৰ আই ডি এফ -XII (নাবাৰ্ড), আৰ আই ডি এফ -XV (নাবাৰ্ড), অতিৰিক্ত কেন্দ্ৰীয় সাহায্য (এ চি এ) আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনত এই আঁচনি সমূহ হাতত লোৱা হৈছে। চলিত বৰ্ষত ডিব্ৰুগড়, বংকুৱাল আৰু পলাশবাৰীৰ তিনিটা নিৰ্বাচিত উপ প্ৰকল্প অঞ্চলৰ ১,১০,০০০ হেক্টৰ এলেকাৰ প্ৰায় এক মিলিয়ন লোকক উপকৃত কৰিবলৈ এছিয় উন্নয়নী বেংকৰ ১৪২.০০ নিযুত ডলাৰ অৰ্থ সাহায্যৰ অসম সংহত বান আৰু নৈ কাষৰীয়া গৰাখহনীয়া ক্ষতি ব্যৱস্থাপনা নামৰ প্ৰকল্পটো আৰম্ভ কৰা হ'ব। মোৰ চৰকাৰে বান ব্যৱস্থাপনাৰ বাবে নতুন প্ৰযুক্তি গ্ৰহণ কৰি আহিছে। মাজুলী আৰু ঢকুৱাখনা অঞ্চলক সুৰক্ষিত কৰিবলৈ ১৪০.৯৮ কোটি টকা ব্যয়েৰে ভাৰতত পোন প্ৰথম বাৰৰ বাবে নিৰ্মাণত জি ও ফে বৰিক টিউব প্ৰযুক্তি ব্যৱহাৰ কৰি মাতমৰা জিও বান্ধ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত গ্ৰহণ কৰা অন্যান্য নতুন প্ৰযুক্তিবোৰ হ'ল প্ৰকল্প পৰিকল্পনাৰ বাবে মহাকাশ প্ৰযুক্তি, মথাউৰি সুৰক্ষাৰ বাবে কিয়াৰামাত টুবুলাৰ চেণ্ড ফিলড্ মেট্ৰেচ প্ৰয়োগ, মথাউৰিৰ ভূমিক্ষয় হ্ৰাস কৰিবলৈ ভেটিভাৰ ঘাঁহৰ প্ৰয়োগ।

## ক্ৰীড়া আৰু যুৱকল্যাণ ঃ

৩৩ তম ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সময়ত নিৰ্মাণ কৰা আন্তঃগাথনি সমূহৰ চোৱাচিতা আৰু বিভিন্ন প্ৰশিক্ষণ শিবিৰ তথা ছেম্পিয়নশ্বিপৰ আয়োজন কৰাৰ বাবে অসম ক্ৰীড়া প্ৰাধিকৰণখন গঠন কৰা হৈছে। বিগত সময়ত বহু সংখ্যক ক্ৰীড়া প্ৰতিযোগীতা অনুষ্ঠিত কৰা হৈছে। এই সমূহৰ ভিতৰত ৰাজীৱ গান্ধী সোঁৱৰণী ছিনিয়ৰ ৰাষ্ট্ৰীয় বেডমিন্টন চেম্পিয়নশ্বিপ, ভাৰত আৰু নিউজিলেণ্ডৰ মাজত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল, ফেডাৰেচন কাপ ফুটব'ল, পূৰ্ব মাণ্ডলিক টাইকোৱাণ্ডো চেম্পিয়নশ্বিপ প্ৰথম পূৰ্ব মাণ্ডলিক বক্সিং চেম্পিয়নশ্বিপ (পুৰুষ আৰু মহিলা) আৰু ৰাষ্ট্ৰীয় চেপক টাকৰো চেম্পিয়নশ্বিপ বহুকালৰ ব্যৱধানত ২০১০ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া চৌহদত অসমৰ ২৪ খন জিলাৰ ৪০০ যুৱক-যুৱতীৰ অংশগ্ৰহনেৰে



ৰাজ্যিক ক্ৰীড়া মহোৎসৱখন অনুষ্ঠিত কৰা হৈছিল। গুৱাহাটীত শাৰিৰীক শিক্ষাৰ লক্ষ্মীবাঈ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ উত্তৰ পূৰ্বাঞ্চল আঞ্চলিক কেন্দ্ৰ স্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে।

## প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ

সেৱা আগবঢ়োৱা ব্যৱস্থাটোক অধিক সক্ৰিয় কৰাৰ অৰ্থে মোৰ চৰকাৰে বিভিন্ন পৰিধিৰ সেৱাৰ বাবে এক প্ৰশিক্ষণ নীতি প্ৰস্তুত কৰিছে গুৱাহাটীৰ অসম পদাধিকাৰী প্ৰশিক্ষণ মহাবিদ্যালয়খনক ৰাজ্যখনৰ এক শীৰ্ষ প্ৰশিক্ষণ প্ৰতিষ্ঠানলৈ ৰূপান্তৰ কৰাৰ বাবে স্বায়ত্ততা প্ৰদান কৰিবলৈ ব্যৱস্থা লৈ থকা হৈছে। ৰাজ্যিক অসামৰিক সেৱাৰ বিষয়া সকলক ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন প্ৰতিষ্ঠানত প্ৰশিক্ষণৰ বাবে ভাৰত চৰকাৰৰ কৰ্মচাৰী আৰু প্ৰসিক্ষম বিভাগৰ পৰা পৃষ্ঠপোষকতা লাভ কৰা হৈছে আৰু অসম অসামৰিক সেৱাৰ বিষয়াৰ দুটা গোটক পুনেস্থিত YASHADA তথা গুৰগাওঁস্থিত ব্যৱস্থাপনা উন্নয়ন প্ৰতিষ্ঠানলৈ প্ৰশিক্ষণৰ বাবে পঠোৱা হৈছে।

## ৰাজহ প্ৰশাসন ঃ

মোৰ চৰকাৰে ভূমি অভিলেখা, পঞ্জীয়ন, টিকট আৰু মানচিত্ৰৰ বিষয় বিলাকত তথ্য প্ৰযুক্তিৰ সহায়লৈ ৰাজহ প্ৰশাসনক আধুনিকীকৰণৰ বাবে কিছুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। বঙাইগাওঁ, ডিব্ৰুগড়, কামৰূপ, নলবাৰী, যোৰহাট, শিৱসাগৰ আৰু নগাওঁ জিলাকে ধৰি সাতখন জিলাত ধৰিত্ৰী নামৰ আঁচনিখনৰ অধীনত ভূমিলেখা কম্পিউটাৰকৰণৰ কাম চলি আছে। ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ নিয়মাৱলীখন সংশোধন কৰি ডিজিটেল নথি সমূহক বৈধতা প্ৰদান কৰিছে। 'পঞ্জীয়ণৰ' অধীনত শোণিতপুৰ জিলাৰ চাৰিটা উপ পঞ্জীয়কৰ কাৰ্য্যালয় আৰু গুৱাহাটী, কামৰূপ সদৰ, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া, তথা মাৰ্ঘেৰিটাৰ প্ৰত্যেকতে একোটিকৈ কাৰ্য্যালয়ৰ কম্পিউটাৰকৰণ কৰা হৈছে। কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাত ই-ষ্টেম্প পাইলট প্ৰকল্পৰ সেৱা চলি আছে। ৰাষ্ট্ৰীয় ভূমিলেখা আধুনিকী কৰণ কাৰ্য্যসূচীৰ অধীনত মানচিত্ৰৰ ডিজিটেলকৰণ, আধুনীক জৰীপ পদ্ধতিৰ প্ৰবৰ্তন আৰু দক্ষিণগাওঁস্থিত অসম জৰীপ আৰু বন্দোবস্তি প্ৰশিক্ষণ কেন্দ্ৰক

যথাযথকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে। অহাযোৱাৰ সুবিধাৰ বাবে ৰাজহ্ চক্ৰ বিষয়া সকললৈ ১৫২খন গাড়ী যোগান ধৰা হৈছে।

মোৰ চৰকাৰে ২০০৬ চনত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা আইনখন গ্ৰহণ কৰিছে। বিভিন্ন দুৰ্যোগ ব্যৱস্থাপনামূলক কাম-কাজ হাতত লোৱাৰ বাবে চৰকাৰখনে অলপতে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা নীতি আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা নিয়মাৱলীত অনুমোদন জনাইছে। ৰাজ্যখনত দুৰ্যোগ সমূহৰ সময়ত উপযুক্ত সহাৰিৰ বাবে ৰাজ্যিক দুৰ্যোগ সহাৰি বল সৃষ্টি কৰিবলৈ এটা সিদ্ধান্ত লোৱা হৈছে। ২৭খন জিলাতে সংশ্লিষ্ট উপায়ুক্তক অধ্যক্ষ হিচাপে লৈ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী গঠন কৰা হৈছে। সাহায্য হাতপুথিত দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰস্তুতি আৰু নিৰাময়ৰ পৰ্য্যায় বিলাক অন্তৰ্ভুক্তি কৰা হৈছে আৰু ইয়াক দুৰ্যোগ ব্যৱস্থাপনা হাতপুথি নামেৰে পুনৰ নামাকৰণ কৰা হৈছে।

১৯৮৯ চনৰ ভূমি নীতিৰ আধাৰত জিলাসমূহত চৰ অঞ্চলৰ জৰীপ কাৰ্য্য চলি আছে আৰু চৰ অঞ্চলৰ জনসাধাৰণলৈ ভূমি আবন্টন আৰু বন্দোবস্তি কাৰ্য্য চলি আছে। অসম ৰায়ত আইন, ১৯৭১ (অস্থায়ী বন্দোবস্তি অঞ্চল)ৰ ব্যৱস্থাৱলী সমূহ ৰূপায়ণ কৰি থকা হৈছে আৰু ৰায়ত সকলক ভূমি স্বত্ব প্ৰদান কৰি থকা হৈছে। নিয়ম অনুসাৰে চৰকাৰী মাটি দখল কৰি থকা ক্ষুদ্ৰ চাহ খেতিয়ক সকললৈ দখলী স্বত্ব প্ৰমাণ পত্ৰ প্ৰদান কৰি থকা হৈছে যাতে চাহ পৰিষদে আগবঢ়োৱা সুবিধা সমূহ তেওঁলোকে পাব পাৰে। অসম বিধান সভাই অসম ভূমি বেদখল (নিষেধাজ্ঞা) বিধেয়ক, ২০১০ খন গৃহীত কৰিছে। সাম্প্ৰতিক সময়ৰ প্ৰয়োজনীয়তাৰ সতে সংগতি ৰাখি ভূমি আইন সংশোধনী বিষয়ক পৰামৰ্শ দানৰ বাবে এক আয়োগ গঠন কৰা হৈছে। ভূমি অধিগ্ৰহণৰ ফলত স্থানান্তৰিত হোৱা পৰিয়াল সমূহ যাতে উপযুক্তভাৱে মাটি আৰু বাসগৃহ সহ সংস্থাপিত হয় - ইয়াৰ নিশ্চিতিকল্পে ৰাষ্ট্ৰীয় পুনৰসংস্থাপন আৰু পুনৰ বন্দোবস্তি নীতি, ২০০৭ খন গ্ৰহণ কৰা হৈছে।

## পেঞ্চন আৰু ৰাজহুৱা ওজৰ আপত্তি ঃ

চৰকাৰী বিষয়া কৰ্মচাৰী আৰু প্ৰাদেশীকীকৃত বিদ্যালয় সমূহৰ কৰ্মচাৰী সকললৈ সময়মতে পেঞ্চন মঞ্জুৰ কৰাৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আসাম্ গভৰ্নেন্স পাব্লিক ৰিচৰ্স মেনেজ্‌মেন্ট প্ৰকল্পৰ অধীনত থকা পেঞ্চন তথ্য ব্যৱস্থা কাৰ্য্যক্ষম কৰি



তোলা হৈছে। ই পেঞ্চনৰ ক্ষীপ্ৰ চূড়ান্তকৰণ আৰু পেঞ্চনৰ পৰিবৰ্তনকৰণত সহায় কৰিছে। প্ৰাদেশিকীকৃত পঞ্চায়ত কৰ্মচাৰী সকলৰ পেঞ্চন সম্পৰ্কীয় বিষয় সমূহ চোৱাচিতা কৰাৰ বাবে অসমৰ পেঞ্চন সঞ্চালকক শক্তিশালী কৰা হৈছে।

## আৱকাৰী ঃ

সমগ্ৰ ৰাজ্যখনতে গাঞ্জা, ভাং, কাণি আৰু অন্যান্য নিচাযুক্ত দ্ৰব্যৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। অবৈধ সুৰাৰ বিক্ৰী বন্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এক সুস্থ সমাজ বৰ্ত্তাই ৰখাৰ স্বাৰ্থত ৰাজ্যিক ড্ৰাগছ নিবাৰণী পৰিষদে সভা-সমিতি আৰু আলোচনা চক্ৰৰ জৰিয়তে ড্ৰাগছ আৰু অন্যান্য নিচাজাতীয় দ্ৰব্যৰ অপ-প্ৰয়োগ সম্পৰ্কে জন সাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰি আছে। অসমত আৱকাৰী ৰাজহ আৰু বিক্ৰী ৰাজহৰ সংগ্ৰহ বৃদ্ধি কৰাৰ অৰ্থে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। ২০০৯-১০ বৰ্ষৰ অক্টোবৰ মাহলৈকে সংগৃহীত ১২৭.৬৭ কোটি টকাৰ আৱকাৰী ৰাজহৰ তুলনাত চলিত বিত্তীয় বৰ্ষত ২০১০ চনৰ অক্টোবৰ মাহলৈকে আৱকাৰী ৰাজহ হিচাপে ১৩৯.৪১ কোটি টকা সংগ্ৰহ কৰা হৈছে। এই বৃদ্ধিৰ হাৰ ১০ % শতাংশ। ভাৰতত তৈয়াৰী বিদেশী সুৰাৰ ওপৰত প্ৰৱৰ্ত্তন কৰা এডভালৰেম্ লেভীয়ে অনুজ্ঞাপত্ৰ থকা খুচুৰা ব্যৱসায়ী সকলে সুৰাৰ ওপৰত চৰকাৰক দিব লগা ধনৰ প্ৰক্ৰিয়াটোক সৰলীকৰণ কৰিছে।

## বিধায়িনী আৰু ন্যায়িক ঃ

২০১০ চনৰ সময়ছোৱাত ১১ খন নতুন আইন প্ৰণয়ন আৰু চলিত আইন কেতবোৰৰ ২১ টা সংশোধনী ঘটোৱা হৈছে। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ অধীনত লোক আদালত, আইনী সজাগতা শিবিৰ আৰু মধ্যস্থতাকৰণৰ শিবিৰ আদি অনুষ্ঠিত কৰি থকা হৈছে। গুৱাহাটীত এখন ৰাষ্ট্ৰীয় আইন স্কুল আৰু ন্যায়িক একাডেমী স্থাপন কৰি থকা হৈছে। চলিত ২০১০-২০১১ বিত্তীয় বৰ্ষৰ ভিতৰতে নগাওঁ, বৰপেটা, নলবাৰী, ধুবুৰী, শিলচৰত একোখনকৈ আৰু গুৱাহাটীত আন এখন অতিৰিক্ত ন্যায়াধিকৰণ মুঠ ছয়খন মটৰ দুৰ্ঘটনা নিস্পত্তি ন্যায়াধিকৰণ, বৰপেটা আৰু ধুবুৰীত একোখনকৈ ২ খন পাৰিবাৰিক আদালত, কামৰূপ জিলাত এখন

অতিৰিক্ত পাৰিবাৰিক আদালত আৰু গুৱাহাটীত দুখন অতিৰিক্ত বিশেষ আদালত (চি বি আই) স্থাপন কৰা হৈছে।

মাননীয় সদস্য সকল, মই আপোনালোকৰ আগত মোৰ চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচী সমূহ দাঙি ধৰিলো। ইয়াত দেখুওৱা আটাইবোৰ নীতি আৰু কাৰ্য্যসূচী ৰূপায়ণৰ বাবে মোৰ চৰকাৰ সৰ্ব্বাত্মক প্ৰচেষ্টা চলোৱাৰ দিশত প্ৰতিশ্ৰুতি বদ্ধ। মই আশাকৰো এই সদনৰ আলাপ-আলোচনাই এই লক্ষ্য পূৰণত সহায়ক হ'ব।

জয়হিন্দ

২০১১

অসম চৰকাৰী ছপাশালত মুদ্রিত
গুৱাহাটী-২১